# ভূত নে ভ্ৰম।

[ সংস্কাৰমূলক নাটক ]

কলিকতা বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব্ব প্ৰশ্নকাৰ, পৰীক্ষক আৰু ৰেজিষ্টাৰ্ড গ্ৰেজুৱেট ; লণ্ডন ৰয়েল এচিয়াটীক চোচাইটীৰ অনৰেৰী মেম্বৰ ; অসম লেজিচ্‌লেটীভ কাউন্সিলৰ ভূতপূৰ্ব্ব আহোম-প্ৰতিনিধি অনৰেবোল মেম্বৰ ; সদৌ অসম আহোম এচোচিয়েচনবিলাকৰ জেনেৰেল চেক্ৰেটৰী ; "বিজুলী", "ৱন্তি" আৰু "উষা"ৰ সম্পাদক ; অসম সাহিত্যিক সম্মিলনীৰ পোন্‌-প্ৰথম সভাপতি ;

সাহিত্যিক পেঞ্চনাৰ,

ৰায়বাহাদুৰ পদ্মনাথ গোহাঞি বৰুৱা, এম-আৰ-এ-এচ

ৰচিত।

দ্বিতীয় তাঙৰণ।

তেজপুৰ, অসম।

১৮৬২ শক।

বেচ, ।৶০ ডেৰমহা।

তেজপুৰ,
লীলা-এজেঞ্চিৰপৰা
গ্ৰন্থকাৰৰ দ্বাৰাই প্ৰকাশিত।

কলিকতা,
৮৫নং অপাৰ চাৰকুলাৰ ৰোড, 'ভাৰতমিহিৰ যন্ত্ৰত
শ্ৰীযুগলচৰণ দাসৰ দ্বাৰাই মুদ্ৰিত।

# ভাৰৰীয়াবিলাক।

ভূতনাথ বৰুৱা, এম-এ, বি-এল,—সংস্কাৰ-সমিতিৰ সভাপতি।

মুক্তিনাথ ফুকন, বি-এ, বি-এল,— " " সম্পাদক।

ধৰ্ম্মেশ্বৰ ৰাজখোৱা, বি-এ,—— " " সদস্য।

ফজলুৰ ৰহমান, এল, এম, এচ,— " " সদস্য।

সোণেশ্বৰ স্বৰ্ণকাৰ, বি-এ, বি-ই— " " সদস্য।

জালোৱা, হালোৱা, গুৱাল, গৰখীয়া, বাঁৰী, বেজ, নৰীয়া, গঞা, গঞানী, পোহাৰী, কানীয়া, ভঙুৱা, সন্ন্যাসী, ছেলা ইত্যাদি।

## ১। পাতনি।

অসমীয়া সৰ্ব্বসাধাৰণৰ, বিশেষকৈ অশিক্ষিত গাঁৱলীয়া সমাজৰ মনৰপৰা ভূত-বিশ্বাসমূলক আজন্ম কু-সংস্কাৰ গুচাবৰ অভিপ্ৰায়ে সেই মূল-প্ৰসূত গোটাচাৰেক ভ্ৰম-প্ৰমাদৰ পট আঁকি, এখন নাট অসমীয়া নাটমন্দিৰত মেলাবৰ হাবিয়াহ্ এটা ভালেমান দিনৰপৰা লেখকৰ মনত খেলাই আছিল; "ভূত নে ভ্ৰম" তাৰে ফল মাথোন। লেখকৰ পৰি-অহা বয়স চাই, নাটখন "ধেমেলীয়া" উপাধি পিন্ধিবৰ যোগ্য নহব পাৰে, সঁচা; কিন্তু তাৰপৰা সমাজৰ গাত পোত্‌খাই থকা ভূত-ভ্ৰম কিঞ্চিৎমান আঁতৰিলেও তেওঁৰ পৰিশ্ৰম সাৰ্থক হব। প্ৰথম তাণ্ডৱণ ৰাইজৰ আগলৈ উলিয়াই প্ৰমাণ চোৱা হৈছে মাথোন; নাটমন্দিৰাদিত আদৃত হোৱা দেখিলে আৰু শুনিলে, সময়ত ইয়াৰ বহুল উন্নতি সাধিবলৈ মন থাকিল। ইতি—

তেজপুৰ, অসম।
২১ ফাগুন, ১৮৪৬ শক।

বিনীত,
শ্ৰীপদ্মনাথ গোহাঞি বৰুৱা।

## ২। পাতনি।

গুণগ্ৰাহী ৰাইজৰ নথৈ শলাগ লৈ, 'ভূত নে ভ্ৰম' নাটকৰ দ্বিতীয় তাঙৰণ উলিয়াবলৈ ওলালোঁ। কোৱা বাহুল্য মাথোন যে, ৰাইজৰ, বিশেষকৈ নাট্য সমাজৰপৰা আদৰ আৰু উৎসাহ নোপোৱা হলে, ই ইমান সোনকালে নতুন সাজপাৰ পিন্ধি বাজলৈ ওলাব নোৱাৰিলেহেঁতেন। এই তাঙৰণত নাট-মন্দিৰৰ সুচল বঢ়াবৰ উদ্দেশ্যে, ঠাই বুজি, অলপ অচৰপ বঢ়া টুটা কৰা হৈছে।

"পদ্মকুটীৰ" তেজপুৰ, অসম।
আঘোন, ১৮৬২ শক।

গ্ৰন্থকাৰ।

—◇◇—

# উছর্গা।

মোৰ পুত্ৰপ্ৰতিম

চেনেহৰ মাজিউ জোঁৱাই

**শ্ৰীমান্ হৰিনাথ গগৈ, বি-এল, উকীল,**

গগৈদেৱৰ কণ্ঠত

ইধাৰি

অপত্য স্নেহৰ সূতাৰে গাঁথা

আশীষ-মালা।

গ্ৰন্থকাৰ।

# ভুতনে ভ্ৰম।

## ১। অঙ্ক।

### প্ৰথম পট।

( পথাৰৰ বঙ্গিয়া )

হালোৱা আৰু জালোৱা।

হালোৱা।—( কানত নাঙ্গল-যুৱলি লৈ ঘৰমুৱা হৈ প্ৰৱেশ) হৰি-গুৰু-বান্ধৱ! উঃ, কেতিয়া নো পাওঁগৈ ঘৰ ঐ! ভোকে-পিয়াহে গা আচন্দ্ৰাই কৰিছে! ধুৰঁলি-কুৰঁলিখন দেখিছোঁ!

জালোৱা।—( উধাতু খাই প্ৰৱেশ ) হেৰৌ, সেইটো কোন্ ঔ? কাতিয়া ককাই হব নে ঔ?

হালোৱা।—( উভতি চাই ভেকাহি মাৰি ) কোন্ অ এইটো, পিচৰপৰা ভুতে হেঁকাৰাদি হেঁকাৰিছ! নহওঁ কাতিয়া, যা। নহওঁ মই তোৰ কাতিয়া-ককাই।

জালোৱা—হেৰৌ, যেয়ে কি নহৱ, বৰিও বৰি, ময়ো গৈছোঁ। অসন্তক বৰি। বধ লাগে, বৈ যা ককাইটি!

হালোৱা।—আহি থাক্। তোগৈ আকৌ বৰ কোন্ দুপৰীয়া ভোকত!

জালোৰা।—হেৰৌ, বধ লাগে, অসন্তক ৰবিঔ। মোকো লৈ যা ককাইটিঐ!

হালোৰা।—কেনেথন কৰে এইপাটে! তোক আকৌ লৈ যাব কোনে? দুপৰীয়া ভোকত নাঙ্গল-যুৱলিৰ ভাৰেই কান ছিঙ্গি নিছে, তোক আকৌ লওঁ কোন্ থন কানত?

জালোৰা।—নহয় হেৰৌ, ককাইটি, মোক কানত লব নেলাগে; লগ হে দিব লাগে। ৰবি, অসন্তক ৰবি।

হালোৰা—আও! এই হেন দিন-দুপৰত তোক লগ লগা হল নে? অকলে আহিব নোৱাৰ নে? মতা নহয় নে কি? নাই, তোক কিহবাই পাইছে?

জালোৰা।—ককাইটিঐ, কিনো কম। এই দিন-দুপৰতে মোক সঁচাকৈয়ে ভূতে পাইছিলহি! ৰখিচোন, শুনচোন।

হালোৰা—দেখিছানে বাৰু! কালি ৰাতিও থাবলৈ নহল একো। লঘোনীয়া গা! এই দুপৰ-ভাটি-দিয়ালৈকে হাল বাই পথাৰত বোকা দি আহিছোঁ। ভোকে-ভাগৰে মোক অথিৰ কৰিছে! হেৰ, তই পিচে পিচে আহি থাক্। মই ৰব নোৱাৰোঁ বুপাই।

জালোৰা।—নহয়, হেৰঔ ককাই, মোক পিচ পেলাই নেযাবিঔ। হেৰ, তোৰ মুৰকে সাৱ, ৰবি। মোৰ লৰাইতৰ শপত অসন্তক ৰবি! হেৰ, যাৱ যদি, বৈৰীয়েৰৰ মুৰতে ভৰি দি যাৱ। নেযাবিঔ, ৰ,ৰ, ৰবি, ময়ো গৈছোঁ (লৰি গৈ হালোৰাৰ পোন্ধত ধৰি ওলমি পৰেগৈ)।

হালোৰা।—উঃ, কি আপদে পালে! হেৰ, কিহে নো পাইছিল তোক? —ক'তা?—কেতিয়া?—(চঁক লৈ) হুঁ, কেনেকৈ?—কচোন। ৰৈছোঁ বাৰু, ক।—ঔ আই! মোৰ গাটোও জিকাৰি উঠেচোন! তোৰ গাতে কিবা এটা লাগি আহিছে হব পায়!

জালোৰা—ককাইটিঔ, পাইছিলহি আচলটোৱেই! জাল-জৰি পেলাই কথম্‌পি হে সাৰি আহিছোঁ। ৰবি, ৰবি।

হালোৰা।—ৰৈছোঁ, ক, কচোন, কি নো সেইটো।

জালোৰা।—আচলটোৱেই ককাই। জলবাঁক্‌ সেইটো! ঔ আই! তাৰ দাঁত আৰু নথ কেচটা! মোৰ পিচে পিচে আহিয়েই আছে হব পায়! (উচাপ্‌ খাই উঠে)।

হালোৰা।—হয় নে কি? সি ময়াপী হৈ আহি আছে হব পায়! মোৰ গাটোচোন কেনেবা কেনেবা লাগি গৈছে! হেৰ, কৰোঁ কি? কলৈ যাওঁ? কি কৰোঁ এতিয়া! কেনি পলাওঁহঁক। (কানৰ নাঙ্গল-বুৰলি পেলাই জালোৰাক গৱা মাৰি ধৰে)।

জালোৰা।—সঁচা, বাঁক্‌ ময়াপী ককাই! সি থিতাতে ওলায়, থিতাতে নাইকিয়া হয়। মোৰ গাতে লাগি আহিছেই কি জানি, কিনো ঠিক্‌। কিবা ছঁয়ামৰাখন দেখোঁচোন! ভূত ছুঁয়াতে ময়া হৈ সোমায় (গৱাগবিকৈ দুয়ো কঁপিবলৈ ধৰে)।

(মুক্তিনাথৰ প্ৰৱেশ)।

মুক্তি।—(উপলুঙ্গাকৈ) কি হৈছে অ, তহঁতৰ? হৈছে কি?

জালোৰা।—কিনো সোধা বোপাটি! যি হব লাগে হৈছে আৰু! কবলৈ কথাই নোলায়!

হালোৰা।—এৰা, বোপাদেৌতা, তোমাক দেখিহে ধাতুটো আহিছে!

মুক্তি।—কিয়? মইনো তোৰ ধাতুটো কেনেকৈ আনিলোঁ আকৌ?

হালোৰা।—এৰা, তিনটা মুনিহ দেখিলে ওচৰ নেচাপে নহয়।

মুক্তি।—কিনো ওচৰ চপাৰ কথা কৈছ? ক'তা, আৰু দেখোন কাকো দেখা নাই।

জালোৱা।—কেনেকৈ দেসিবা, বোপাটি! ভূত যে মন্নাপী!

মুক্তি।—ভূত নো কি? মন্নাপী আকৌ কেনেকুৱা? মইচোন আজিলৈকে কোনো মন্নাপী ভূত দেখা নাই। দেখুৱাব পাৰ নে? পাৰ যদি মই বক্সিচ্ দিম।

জালোৱা।—থোৱাঁ থোৱাঁ, তোমাৰ খ্ৰীষ্টানী কথাবোৰ। মন্নাপীক আকৌ দেসিবা কেনেকৈ? নেদেসা হবলৈ তো মন্নাপী হয়। তেনেবোৰ কাণত নোখোমোৱা কথা নকবা দেও হে। লেখা-পঢ়া শিকি তোমোলাকৰ বুধিবোৰ উলটিছে যেন দেসিছোঁ!

হালোৱা।—বোপাটি! নেজানা নে, দেও-ভূত বুলিলে থিতাতে ওলায়, থিতাতে লুকায়। সেই গুণে সেইবোৰক মন্নাপী বোলে। কলিকতালৈকে পঢ়িও ইমানটো কথাকে নেজানা নে? দেউতাৰৰ ধনবোৰ মিছাতে ভাঙিলাগৈ, নহয়?

মুক্তি।—অ, তইঁতক এতিয়া কিবা দেও-ভূতে পাইছে নে কি?

জালোৱা।—আকৌ নো কি? বোলে, "কওঁতেই কলা যঁতৰতে শলা"!

হালোৱা।—সেই দেখি তো কৈছোঁ, বোলোঁ এতিয়া আৰু ভয় নাই, বোপ'ৰে সৈতে আমি তিনটা হলোঁহঁক বাপেকে।

মুক্তি।—(মনতে) হাঁয়, কি ঘোৰ অন্ধবিশ্বাস! কি বিষম ভ্ৰম! ভূত-বিশ্বাসে আমাৰ গাওঁ ডুবালে! কেনেকৈ উদ্ধাৰ কৰা যায়? (ফুটাই) বাৰু, বিতত্ নহবিচোনহঁক। মোক ভূত এটা এদিন দেখুৱাব পাৰিবিনেহঁক?

জালোৱা।—কিয়! আজিয়েই পাৰিলোঁহেঁতেন নহয়। অসন্তকৰ আগতে মোক যিটো হে জলবাঁকে লগ পাইছিল! কিনো কম বোপাটি! দেসা হলে বিচুৰ্ত্তি হলাঁহেঁতেন।

হালোৱা।— দেখুৰাম বাৰু এদিন। দেখিবা, ভুত নো কেনেকুৱা! সেইবোৰ-চোন বাটে-গছে, খালে-বিলে, পথাৰে-পামে য'তে-ত'তে ভুতেই হে। আপোনালোকে জিলাৰপৰা কেনেকৈ দেখিবা?

মুক্তি।—বাৰু, দেখুৱাবি। দেখিলে হে বুজিম, ভুত নো কি।

জালোৱা।—বাৰু, হৈছে এতিয়া। আহাঁ, বোপা, যাওঁগৈহঁক। অকলে নৰবাঁ, আহাঁ আহাঁ।

হালোৱা।—বল, বল, এই ছেগতে আমি যাওঁগৈ বোপাই। বোপা আহি থাওক পিচত। এইবোৰ পঢ়ি-শুনি অধৰমী হোৱা ডেকা। তেজৰ বলত দেও-ভুত নমনা হৈছে এইবোৰে। ইয়াৰ পোটক পাব পাচত। ব'ল, ব'ল, ব'ল। (দুইবো প্ৰস্থান)

মুক্তি।—অহ! অন্ধবিশ্বাসত আমাৰ সমাজ তল গল! অজ্ঞান গঞাই ৰোগ-ব্যাধিৰ আচল কাৰণ ঢুকি নাপায়। ভুত বুলি এবিধ মনে-পতা দেও হে তাৰ কাৰণ বুলি বিশ্বাস কৰে। বেজে ভুত খেদিবলৈ বুলি ৰোগীৰ নাকত পকা জলকীয়া গুঁজি ৰোগৰ বিকাৰ চৰায়! বহুতে ভুতৰ ভয়ত দুৱাৰ মাৰি ভিতৰলৈ বিশুদ্ধ বায়ু সোমোৱাত বাধা দিয়ে; দৰপ-জাতিৰ সন্মনি জৰা-ফুকা কৰে। ভুত-বিশ্বাস মানুহৰ স্বভাৱত পৰিণত হৈছে। ভুতৰ ভয়ত মন অস্থিৰ হয়; আৰু মনৰ অস্থিৰতাত আমাৰ অশিক্ষিত মানুহে, ছাঁটোকে বাঘটো দেখাৰ দৰে, ভুতৰ ভয়ঙ্কৰ ৰূপ দেখে। আজি এই দুটা মানুহতে তাৰ ফটফটীয়া প্ৰমাণ পোৱা গল।—বাৰু, দেখা যাওক, কি কৰিব পৰা যায়। আমাৰ অশিক্ষিত সমাজক এনে অন্ধবিশ্বাসৰপৰা মুক্ত কৰিবই লাগিব।

(প্ৰস্থান)

# দ্বিতীয় পট।

## ( ফজলুৰৰ পঢ়া-কোঠা )

—※—

ধৰ্ম্মেশ্বৰ, সোণেশ্বৰ আৰু ফজলুৰ।

সোণেশ্বৰ।—যি বোলাঁ লাগে ভাই, মোৰ হলে মনৰপৰা বিশ্বাসটো যোৱা নাই। ভাবি যাওঁ ভুত নাই বুলি, কিন্তু গৈ গৈ ভুত থকা ঠাই পাৰ হওঁতে গাটো চেবাই উঠেচোন!

ফজলুৰ।—হঁচা ভাই, মোৰো তেনেকুৱা লাগে। কেতিয়াবা শুই থাকোঁতেই চয়তানে হেঁচা মাৰি ধৰেহি। কেতিয়াবা যে মই টোপনিতে মক্‌মকাই উঠোঁ! বুবাজিয়ে হেঁচুকি জগোৱাই দিয়া মাত্ৰকে চয়তানটো চাঁত্‌কৰে নেদেখা হয়।

সোণেশ্বৰ।—এৰা, কেতিয়াবা আকৌ সি বাঘ হৈ খাবলৈ আহে, নাইবা সাপ হৈ খুটিবলৈ খেদে; টোপনিতে লৰোঁ হে লৰোঁ, আগুৱাব নোৱাৰোঁ! পিচে, চাঁত্‌কৰে সাৰ পালেই সি মায়াপী হৈ যায়! ভুত নহয় যে বাৰু সি কি! কোৱাচোন ভাই।

ধৰ্ম্মেশ্বৰ।—নহয় ভুত। তাৰ কাৰণ ভুতনাথ ভাই আহিলে সুধিবাঁ, তেওঁ ভালকৈ বুজাই কব।

( ভুতনাথৰ প্ৰৱেশ )

ফজলুৰ।—এ হে! আহাঁ, আহাঁ ভাই, আহাঁ। তুমি বহুত দিন জীবাঁ ভাই!

ভুতনাথ।—কিয়? কোন্‌খন পঞ্জিকাত নো গণনা পালাঁ? মোৰ সোঁৱৰণী আঁকিছিলা নে কি?

ফজলুৰ।—হেই চব নহয় ভাই। এই মাত্ৰ তোমাৰ নাম লোৱা হৈছিল। নাম লওঁতেই তুমি ওলালাঁহি। হেইকাৰণে তুমি বহুত দিন জীবাঁ।

ভুতনাথ।—( হাঁহি ২ ) অ, সেই বাবে! হওঁতে বিধিখন বেয়া নহয়।

সোণেশ্বৰ।—সঁচা, ই ধ্ৰুৱ কথা। নাম লওঁতেই ওলালেহি মানুহৰ আয়ুস্ বাঢ়ে।

ভূতনাথ।—বাৰু, ময়ো ধ্ৰুৱপকৈ কৈছোঁ, তোমালোকৰ মনৰপৰা এতিয়াও superstition অৰ্থাৎ কুসংস্কাৰ যোৱা নাই।

ধৰ্ম্মেশ্বৰ।—superstition বাৰু এৰিছোঁৱেই, এওঁবিলাকৰ মনৰপৰা আজিও prejudice বা অন্ধবিশ্বাসো গুচা নাই। এতিয়াই দুয়ো দুবিধ ভূতৰ উদাহৰণ দিছিল। টোপনিত চিয়ঁৰি উঠা, লৰিব খুজি চলিব নোৱাৰা, এইবোৰ বোলে ভূতৰ কাম। মই পিচে ভূত নহয় বুলি কৈ তোমাৰ নাম লওঁতেই তুমি ওলাইছাহি।

ভূতনাথ।—ঠিক সময়ত ওলালোঁহি বুলিয়েই তো দীৰ্ঘজীৱী হবলৈ আশীৰ্ব্বাদ পালোঁ। সি যি হওক, টোপনিত কিয় তেনেকুৱা বোধ হয়, সেই বিষয়ে সিদিনাখন ব্যাখ্যা কৰা হৈছিল নহয়, পাহৰিলাইঁক নহয় নে? শোওঁতে হাত বা ভৰিৰ সিৰত টেপা খাই বিজুতি ঘটিলেই তেনেকুৱা বোধ হয়। সি ভূত বা চয়তানৰ কাম নহয়। ভূত বুলি একো এটা Being বা বস্তু নাই, চয়তানো একো নহয়।

ফজলুৰ।—ভূত নাথাকিব পাৰে; কিন্তু চয়তান হলে নিশ্চয় আছে ভাই। হিদিনাখন আমাৰ মৌলবী চাহাবে দিয়া ব্যাখ্যা শুনা হলে, বিশ্বাস কৰিলাহেঁতেন। কবৰখানাৰ কাখত আমাৰ নতুন মজিদটো হজাওঁতে চয়তানবোৰে ঘৰৰ ভেঁটিটো ঘুৰি ঘুৰি কেনেকৈ পাক্ লৈছিল আৰু কলিমা পাঠ শুনি হেইবোৰ কেনেকৈ উফৰি উফৰি পৰিছিল, তুমি মৌলবী চাহাবৰ মুখে শুনা হলে নপতিয়াই থাকিব নোৱাৰিলাহেঁতেন।

ভূতনাথ।—সেইটোও শুনা কথা হে। তুমি তো নিজ চকুৰে দেখা নাই। মনত নাই নে, আমি ডেকাদলে কথা বান্ধিছোহঁক যে, নিজে স্ব-চকুৰে ভূত নেদেখোঁমানে নপতিয়াওঁ।

সোণেশ্বৰ।—বাৰু, সেই মতে হলেও তো দ'ত আছে বুলি স্বীকাৰ কৰিব লাগিব। পিচে, দ'ত জানো এবিধ ভূত নহয় ?

ধৰ্ম্মেশ্বৰ।—ভূত হওক বা নহওক, আগেয়ে স্থিৰ হোৱাৰ দৰ্কাৰ যে, স্বৰূপতে দ'ত আছে নে নাই।

সোণেশ্বৰ।—বাঃ! দ'ত নো নহব পাৰে নে ? সি যে চকুৰে দেখা ভূত।

ভূতনাথ।—কোনে দেখিছিল ? কেতিয়া ?

সোণেশ্বৰ।—কোনেও নেদেখা নহয়। সিদিনা মাথোন ভদৰি-চুকৰ লোহাৰামে দ'ত এটা লগ পাইছিল। জানাই নহয়, লোহাৰাম কেনে এটা বুকুবহল বলী মানুহ। দ'তক সিও উলটি ধৰিছিল ; পিচে, দ'তৰ গা পিছল কাৰণে হে তাক সি পেলাবলৈ চল নাপালে।

ভূতনাথ।—ইও এটা "কাণখোৱা" গল্প ভাই! ইয়াক এটা সাধুকথা বুলি ধৰিলে ধৰিব পাৰোঁ, কিন্তু প্ৰকৃত ঘটনা বুলিব নোৱাৰোঁ ; কাৰণ তুমি তো নিজে স্ব-চকুৰে দ'ত দেখা নাই।

সোণেশ্বৰ।—স্ব-চকুৰে দেখাতকৈও একাচি চড়া হে বুলিবাঁ। কিয়নো,—

(মুক্তিনাথৰ প্ৰৱেশ)।

ফজলুৰ।—অ, আহাঁ ভাই, আহাঁ (মুক্তিক আগবঢ়াই আনে)।

মুক্তি।—কিহৰ নো মেল ? কিহৰ্ বক্তৃতা ? আজিৰ মজ্‌লিচ্ দেখোন গৰম!

ভূত।—এৰা, মজ্‌লিচ্ গৰমেই। তুমিও এতিয়া বক্তৃতাৰ ভাগ ললে হে যদি সি চেঁচা পৰে।

মুক্তি।—কিহৰ বক্তৃতা তাৰ শুং পালে হে ভাগ লব পাৰি।

ধৰ্ম্ম।—বক্তৃতা আৰু হব কিহৰ ?—ভূতৰ। লোৱাঁ ভাগ এতিয়া।

মুক্তি।—তেনেকুৱা এটা ভাগ মযো বাটতে পাই বুটলি আনিছোঁ, পঞ্চ-পাণ্ডৱে পত্নী ভগোৱাৰ দৰে, তোমালোকৰে সৈতে ভগাই লবলৈ বুলি।

সোণেশ্বৰ।—চাওঁ, কিহৰ নো ভাগ সেইটো। মেলাচোন তোমাৰ টোপোলা।

ফজলুৰ।—চাওঁ নহয়, শুনোঁ বুলিলে হে ভাগ পোৱা যাব হবলা?

মুক্তি।—ভাল কৈছাঁ ভাই। মই অনা ভাগটো চকুৰ অগোচৰ, কাণৰ হে ওচৰ; সি টোপোলাত নাই, মুখত হে আছে।

ধৰ্ম্ম।—বাৰু, চকু মুদিছোঁ, কাণকে পাতিছোঁ; দিয়াচোঁ কিহৰ নো ভাগ আনিছা তুমি।

মুক্তি।—বাৰু, লোৱাঁহঁক মই অনা ভাগৰ ভাগ!—কালি দুপৰীয়া বাটত বাঁকে-পোৱা দুটা মানুহক লগ পাই বুজনি দিছিলোঁ। পিচে মিছা, সিহঁতে একোপধ্যে নামানে। যি ভুত নাই বোলে, তাক সিহঁতে বলিয়া হে বোলে। আৰু, সিহঁত নিজে ভুত-বিশ্বাসত তন্ময়!

ধৰ্ম্ম।—হাঁয়, এই অন্ধ-বিশ্বাস আমাৰ সমাজৰপৰা কেনেকৈ আঁতৰ কৰা যায়!

ভুত।—আঁতৰ কৰিবই লাগিব। সেই বিষয়ে উপায় চিন্তিবলৈ আমাৰ মাজত এখন আলোচনী সভা পাতিবলৈ মই প্ৰস্তাব কৰোঁ।

ফজলুৰ।—বৰ হাৰুৱা প্ৰস্তাব। মই মিষ্টাৰ বৰুৱাৰ প্ৰস্তাব হমৰ্থন কৰোঁ।

মুক্তি।—বেচ কথা। তেন্তে অহা শনিবাৰে সন্ধিয়া মিষ্টাৰ বৰুৱাৰ ঘৰতে সভাৰ প্ৰথম বৈঠক পতা হওক। আজিলৈ ইমানতে। এতিয়া ঘৰাঘৰি যাওঁগৈ বলাঁহঁক।

(সকলোটিৰ প্ৰস্থান)।

অঙ্কপাত।

# ২। অঙ্ক।

## প্ৰথম পট।

### হাটলৈ যোৱা ৰাজহাট।

( পোহাৰী আৰু গৰখীয়া। )

পোহাৰী।—( মূৰত শাক-পাচলিৰ পাচি এটাৰে সৈতে ) কিনো ৰ'দ বুপাঔ! গা গোটেই পুৰি-ডেই নিছে! নোৱাৰি আৰু! যাওঁ, সৌ ছাঁতে বহি অথন্তক জিৰাই লওঁ। কণা-বিধতাই মাৰিও নিনিয়ে!

( মূৰৰ পাচি নমাই আলিকাষৰ গছৰ ছাঁত বহেগৈ )

গৰখীয়া।—( প্ৰৱেশ ) অ, পোহাৰী বাই! বেহাবলৈ নো পাচিত কি আনিছা?

পোহাৰী।—এ, কি পাম, কি আনিম, বুপাই! খাঁৰী-দুখুনী মানুহ, পৰৰ এৰা-বাৰীৰপৰা বুটলি আনিছোঁ সেয়া কচু-ঢেঁকিয়া টেঙ্গা-টুকুচা কিবাকিবি। ইয়াকে নসলালে আমাৰ জীৱনেই নৰয় নহয়! এনেকৈ লেলাত ভুঞ্জিবলৈকে জীয়াই আছোঁ! আমালৈ যমো নাই নহয়, বুপাই!

গৰখীয়া।—কি! যম লাগে নে কি? মাতিম নে?—ঐ যমদূত, আহঔ, বুঢ়ী বাইক নেহি!

পোহাৰী।—এ, কেলেই নো পেংলায় কৰ বুপাই! তই-মই মাতিলেই নো যম ওলাবহি নে?

গৰখীয়া।—ওঁ, ওলাবহি তো। এতিয়াই ওলাবহি পাৰে। আকৌ মাতিম জানো?—মাতোঁ?

পোহাৰী।—এঃ বাকলি, ৰবিচোন, বতাহজাক বলিছে, খন্তেক জুৰ লওঁ। জহতে জীৱটো চটফটাব লাগিছে।

গৰখীয়া।—যম মাতিছ যদি, জিৰাব লাগিছে আকৌ কিয়? জহতে জীৱনো যায় যদি যাওক।—ভালেই হে।

পোহাৰী।—যা, তেহেলেই যা বাকলি, কেপকেপাই নেথাকিবি এইখনত।

গৰখীয়া।—কিয়, যম মাতিছিলি নহয়? নেলাগে জানো? মৰিবলৈ ভয় লাগিছে হবলা?

পোহাৰী।—কিমান নো ৰেপি থাক আৰু! বোলোঁ, যি মৰিবলৈ ওলায় তালৈ যম নাই। আমাৰ নিচিনা দুখুনীক মাৰি নিলেচোন ৰইখাকে পাওঁ।

গৰখীয়া।—যম নাহে যদি, ভূতকে মাতোঁ তেনেহলে?—মাতিম নে?

পোহাৰী।—এইপাটক আকৌ পালে কিহে! ঘেকেটি খোৱাৰ পো, আঁতৰি নাযাৱ কিয়? ইয়াক মাতিছিল বা কোনে ইয়ালৈ।

গৰখীয়া।—বাৰু, যাওঁ আঁতৰি। থাক অকলে তই। (আলিকাষৰ গছ জোপাৰ ডাল-পাত বতাহত লৰাৰ লগে লগে মাটিত লাগি থকা তাৰ ছঁয়াটো লৰচৰ হোৱালৈ আঙুলিয়াই) ঐ আই! সৌটো কি ভূতঐ! ছঁয়াতে মন্নাপী হৈ কেনেকৈ ধৰিবলৈ চিপিয়াইছে!

পোহাৰী।—(আছাৰ খাই আঁতৰি পৰি) ঐ, হয়ো কি নহয়ঐ! ধৰেঐ! খালেঐ! নাযাবি, নাযাবিঐ! মোক অকলে এৰি নাযাবিঐ।

মোৰ কুটুম্ব, মোৰ ঈশ্বৰ, নেৰিবি নেৰিবি মোক, অকলে নেৰিবিঐ। জীয়া-ভুতৰ মুখত পেলাই নেযাবি এৰি মোক ঔ!

গৰখীয়া।—কেনে পাইছ? মুখেৰে মৰিবলৈ বিচৰা মানুহজনাৰ দেখোন এতিয়া জীবলৈ কাওঁবাওঁ?—ধৰ, হেৰ ভুত, ধৰ, বুঢ়ীক ধৰ, খা!

(গৰখীয়া ভিৰাই ধৰি লৰ মাৰে; পাচি এৰি পিচে পিচে পোহাৰী ঢপলিয়াই প্ৰস্থান)

(ভুতনাথৰ প্ৰৱেশ)।

ভুতনাথ।—কাৰ পাচি এইটো? কোনে এৰি গল এই মাজ বাটত? আইঐ দেহি, কোনোবা পোহাৰীয়ে হাটত বেহাবলৈ এইবোৰ কিবাকিবি আনিছিল!

পোহাৰী।—(ঘুৰি আহি ভুমুকিয়াই) হেৰা, কোন্ তুমি দৌতা, ৰবাঁ তাতে অথন্তক ৰবাঁ, পাচিটো আনি লওঁ দেও হে।

ভুত।—চাপি আহচোন বাৰু। কিনো হৈছিল, কচোন।

পোহাৰী।—(ভয়ে ভয়ে চাপি গৈ গছৰ লৰি থকা ঠালপাতৰ ছঁয়ালৈ আঙ্গুলিয়াই) সেয়া নেদেখিছাঁ, মোক ধৰিবলৈ ভুতটোৱে কেনেকৈ চিপিয়াইছে! ঐ আই! (কঁপিবলৈ ধৰে)।

ভুতনাথ।—ক'তা, কোন্‌টো?

পোহাৰী।—সেইটো নহয় (লৰি থকা ছাঁটো দেখুৱায়)।

ভুতনাথ।—সেইটোচোন সৌ গছজোপাৰ ছাঁ। বতাহত তাৰ আগ লৰিছে দেখি মাটিত তাৰ ছাঁটোও লৰিছে।

পোহাৰী।—ইঃ, গছ লৰিছে ওপৰত; ভুতে মোক ধৰিবলৈ চিপিয়াইছে তলত। সৌৱা, ভালকৈ তং কৰি চোৱাচোন।

ভুতনাথ।—(নিজৰ হাতখন লৰাই তাৰ ছাঁটো দেখুৱাই) চা বাৰু, মোৰ হাতখন লৰোৱাৰ লগে লগে তাৰ ছাঁটোও লৰিছে নে নাই।

পোহাৰী।—এ আই, হয় যে নহয়। সঁচা, সেইটো সৌ গছৰ হে ছাঁ, ভুত নহয়। (পাচি মূৰত তুলি লয়)।

ভুতনাথ।—আহ বাৰু এতিয়া, মযো হাটলৈকে আহিছোঁ; বল, বাটে বাটে তোক ভুত আৰু ভ্ৰমৰ কথা ভাঙ্গি কৈ গৈ থাকোঁ।

(দুইৰো প্ৰস্থান)

## দ্বিতীয় পট।

### (মৰনৈ মৰিদিখৌৰ মঠাউৰি)

### ফজলুৰ আৰু সোণেশ্বৰ।

(মুনিচুনি বেলিকা)

সোণেশ্বৰ।—শুনিছানে ভাই, ইয়াত ফুৰিবলৈ বৰ ভাল; নহয় নে বাৰু?

ফজল।—হঁচা ভাই, চাপৰিটো যেনে মুকলি আৰু ফৰকাল, মনো তেনে মুকলি আৰু ফৰকাল লাগি যায়।

সোণেশ্বৰ।—আহা, কেনে যে ৰিব্ ৰিব্ কৈ বতাহ বলিছে! গা শাঁত লাগি গৈছে। ইয়াৰপৰা যেন নেযামেই!

ফজল।—এৰা, দুখটোলৈ চাই ইয়াতে হদায় থাকিবলৈকে মন যায়। পিচে, ঠাইখন হে ভাল নহয়, বৰ জয়াৰ। সন্ধিয়াৰ পাচত এই চাপৰিয়ে মনত অইন ভাব হে ওপজায়। তেতিয়া দেখোন গা-মন লৰিবলৈ ধৰে!

সোণেশ্বৰ।—ঠিক কৈছা ভাই। মই কওঁ কওঁ কৰোঁতেই তুমি কৈয়ে পেলালা। সঁচাকৈয়ে গাটো দেখোন কেনেবা কেনেবা লাগি আছে! তাতে আজি শনিবাৰ!

ফজল।—ভাই, কব পাৰা নে ইয়াৰ কাৰণ কি?

সোণেশ্বৰ।—নেজানা নে এই ডোখৰ দিখৌ মৰনৈৰ পাৰ বুলি। ইয়াত ধনগুলৈ ফুৰে। তাহানি আৰিমত্ত ৰজাই পিতৃবধ পাপৰ ধন পেলাই দিয়াত নৈয়ে নিজৰ সুঁতিকে এৰিলে হেনো। এতিয়া সেই ধন সেই ভাগেই সৌ ছোৰা মৰনৈত পোত্ গৈ আছে। তাৰপৰাই ধনগুলৈ বুলি এবিধ ভূত ওলাই এই চাপৰিত চৰি ফুৰে।

ফজল।—পিচে, পিচে?

সোণ।—পিচে, এটা-দুটাকৈ তাকৰীয়া মানুহ ছেগত পালে সি ছল কৰে।

ফজল।—হঁচা নে? কেনেকুৱাকৈ ছল কৰে?

সোণ।—বলাই-ঘটাই নি সি সেই পোত্ গৈ থকা ধনৰ তলতে মানুহ পুতি মাৰেগৈ।

ফজল।—ছেগ নো আকৌ কি?

সোণ।—ছেগ হৈছে,—শনিবাৰ, মঙ্গলবাৰ, মুনিচুনি বেলিকা, পূৰ্ণিমা-নিশা, ভৰ-দুপৰীয়া এইবোৰেই।

ফজল।—(চঁক খাই উঠি) পিচে, আজি আৰু এতিয়াচোন আচলটো ছেগেই!

সোণ।—এৰা, আচল দুটাই তো। আজি শনিবাৰ আৰু এতিয়া মুনিচুনি বেলিকা। এনে বেলিকাতে ভূত চৰিবলৈ ওলায়।

ফজল।—পিচে, পিচে, কি কৰা যায় তেন্তে এতিয়া!

সোণ।—কি কৰা যাব; বেগাবেগিকৈ ঘৰলৈ যাওঁগৈহঁক।

ফজল।. বলা, বলা ভাই, পলম নকৰোঁ আৰু, বলা।

সোণ।—কিয়, তোমাৰ বৰকৈ ভয় লাগিছে নে কি? সিদিনা পিচে ভূতনাথ ভাইৰ আগত কি কৈছিলা?—ভূত বিশ্বাস নকৰোঁ বুলিছিলা নহয়? পিচে, তেওঁ এইবোৰ কথা শুনিলে কি বুলিব আমাক!

ফজল।—যি বোলে বোলক। মনে নামানিলে কি কৰিম আমি! বলা, বলা ভাই, খৰকৈ খোজ দিয়া; চাপৰিটো এৰাই লওঁ এথোন, পাচেও অইন কথা।

সোণ।—গৈ আছোঁ, গৈ থাকা। বৰকৈ বেগাবেগি কৰিলেও ভূতে আশৈ পায় একা।

ফজল।—এৰা, ইফালে চালেও মৰোঁ, সিফালে চালেও ডৰোঁ! (নৈ-দাঁতিৰ ফালে জৰ জৰাই উঠা শবদ শুনি উচাপ্ খাই উঠি) হেইটো! হোটো! ঔ বুবাজী, থালেঔ! হোটো ভূত পালেহি ঔ! ভাই, চাপি আহ; দুয়ো ধৰাধৰিকৈ যাওঁ।

সোণ।—(ইকাষেদি শিয়াল এটা লৰ মাৰি যোৱা দেখি) ইটো নো কি আকৌ! ভাই ৰবি ৰবি। সৌ এটা ভূতে ছদ্মবেশ ধৰি ছলিবলৈ আহিছে আমাক!

ফজল।—বৈছোঁ ভাই, ধৰ ভাই, মৰিলোঁ ভাই, কি কৰোঁ এতিয়া ভাই! ঔ বুবাজী, ক'ত আছ, বেগাই আহঔ!

সোণ।—কৰিবলৈ উপায় আৰু কি আছে! কোনো মতে চাপৰিটোৰ মৰনৈৰ পাৰছোৱা এৰাই যাব পাৰিলেই হয়। আহ, লৰ ধৰোঁ ভাই, আন উপায় নাই আৰু। ধৰে, ধৰে, ধৰিলে উ!

(দুয়ো প্ৰাণকাতৰে লৰি প্ৰস্থান)

## তৃতীয় পট।

### ( ভুতনাথৰ পঢ়া-কোঠা )

—:**:—

### ভুতনাথ, মুক্তিনাথ আৰু ধৰ্ম্মেশ্বৰ।

মুক্তি।—ক'তা, মিঃ স্মিথ্ আৰু মিঃ আক্কাদ নোলালহি দেখোন!

ধৰ্ম্ম।—এৰা, ইমানপৰত ওলাবহি লাগিছিল। ওলাবহি, দুয়ো একেলগে আহিছে চাগৈ।

ভুত।—সেয়া, ইয়াকে বোলে দেশীলোকৰ সময়ৰক্ষণ বা Native punctuality!—আমাৰ কাৰ্য্যাৰম্ভণত সদায় এঘণ্টা-আদঘণ্ট পলম আছেই। সেই হে আমি মূৰকত কাম সামৰিবৰ্গে নোৱাৰোঁ; আৰু সেই কাৰণেই আমি ইংৰাজৰ আৰ্হিৰে উধাবও নোৱাৰোঁহঁক।

ধৰ্ম্ম।—মিঃ বৰুৱাই ভাল মনত পেলাইদিছে। ইও এটা আমাৰ সংস্কাৰ কৰিব লগীয়া আচাৰ নহয় নে?

মুক্তি।—নিশ্চয়। ধৰিবলৈ গলে, ই আটাইতকৈ লাগতিয়াল কাম। এই উদ্দেশ্যেও সোনকালে এটা ব্যৱস্থা কৰা উচিত।

ভুত।—নিতান্ত উচিত। কিন্তু, এটা-এটাকৈ হে। কেইবাটাতো একে সময়তে হাত দিলে এটাও নিয়াৰিকৈ সমাধা হৈ নুঠে। সম্প্ৰতি হাতত যি বিষয়টো লৈছোঁহঁক তাকে সমাধা কৰি উঠোঁচোন। তাৰ পাচত আনবোৰ ধীৰে-শাঁতে এটা-এটাকৈ সমাধা কৰি গৈ থাকিমহঁক। সংস্কাৰ কৰিব লগীয়া আমাৰ সামাজিক বিষয় কিমান যে আছে!

ধৰ্ম্ম।—ধন্য! Thanks, বাস্তৱতে, মিঃ বৰুৱাৰ কথাবোৰ বৰ প্ৰাক্টিকাল।

মুক্তি।—সেই হে তেওঁক আমাৰ সংস্কাৰ-সমিতিৰ সভাপতি পাতি লৈছোঁহঁক। আমাৰ বাছনি বোধ কৰোঁ অযোগ্য পাত্ৰত পৰা নাই।

ধৰ্ম্ম।—নিশ্চয় নাই পৰা; তেওঁতকৈ যোগ্যতৰ পাত্ৰ নাই বুলিবই লাগে।

ভূত।—বাৰু, থোৱাঁ সেইবোৰ; এতিয়া আচল কথাত ধৰোঁহঁক।

মুক্তি।—এৰা, ধৰিব লাগে। পিচে, মেচাৰ্চ স্মিথ্ আৰু আহ্মদ নোলালহি যে? সিবিলাকৰ অনুপস্থিতিত আলোচনা হোৱাটো ভাল হব জানো?

ধৰ্ম্ম।—তাকে তো গুণিছোঁ, সিবিলাক দুজনৰ অবিহনে আজিৰ আলোচ্য বিষয়ত ধৰাটো বাঞ্ছনীয় হব নে নহয়?

ভূত।—সমুলি অবাঞ্ছনীয়। কাৰণ, আমাৰ ভিন্-ভিন্ সমাজৰ প্ৰতিনিধি যিমান বেচিকৈ গোট খাব, সিমান বহুলকৈ আমাৰ আলোচনা আৰু সিদ্ধান্ত জন-সমাজত প্ৰচাৰিত হব। আৰু, তেহে আমাৰ উদ্দেশ্য সহজে সিজিব।

মুক্তি।—তদুপৰি, মই মন কৰিছোঁ, এতিয়ালৈকে সিবিলাক দুজন আমাৰ মতলৈ সম্পূৰ্ণে ঢাপ খোৱা নাই। সিবিলাকৰ মনত ভূত-বিশ্বাসৰ খুকুৰি এতিয়াও ৰৈছে।

ধৰ্ম্ম।—মযো তাকে কওঁ। এতেকে, মোৰ মনেৰে আজিলৈ এই বৈঠকৰ আলোচনা স্থগিত ৰখা হওক।

ভূত।—নিতান্তই স্থগিত ৰাখিব লাগে। মোৰ মনেৰে অহা বৈঠক মিঃ ফুকনৰ ঘৰত অহা শনিবাৰে পাতিব লাগে। তেন্তে আজিলৈ ইমানতে এৰাই ভাল। বলা, ফুৰিবলৈকে যাওঁহঁক। (প্ৰস্থান।)

## অঙ্কপাত।

# ৩। অঙ্ক।

## প্ৰথম পট।

### ( কানিখোলা )।

( তিনটা কানীয়াই কানিপান কৰে। )

১ম, কাঃ।—( ২য়, কানীয়াই ১ম, কানীয়াৰ জলপানৰ বাটীত গাখীৰ-চেনি বাকি দিয়ে ) আচক্, আচক্। ( ধোৱাঁ এঢোক্ গিলি ) ঐচে, কিন্তু ঐচে, কিন্তু ইমানেই কিন্তু অ'ব।

৩য়, কাঃ।—(টিকিৰা এটা পুৰি নাকে-মুখে ধোৱাঁ উৰুৱাই ) নহয়, আল্পতি, অৰকৈ কাব লাগে। গিৰঅষ্টই দিছে কাবলৈকে বুলি, পেট বৰাই কাবাঁ।

২য়, কাঃ।—( টিকিৰা এটা পুৰিবলৈ ধৰি অওঠা লৰফুৰাই ) এৰা, ভকত তুষ্ট হলেই দেৱতা তুষ্ট হয়। বোলে, ভকতেই "সবাতকৈ বৰ, ভকতক পূজিলে গুচে কৰ্ম্মজ্বৰ"।—এই ফাঁকি ডাকৰ বচন নহয় জানো ?

১ম, কাঃ।—( টিকিৰা এটা পুৰি হোঁকাটো মাটিত খুন্দা মাৰি ) ন-অব নো কিন্তু কেলেই। দেৱতাৰ কাৰণেই কিন্তু কানীয়া বকত ; কানীয়া বকতৰ কাৰণেই কিন্তু দেৱতা। কি বোলাঁ ?

২য়, কাঃ।—( নাকে-মুখে ধোৱাঁ এৰি দি ) অয়তো, টিক্ কৈছাঁ বান্দ! সেই ডেকি হে কওঁ, বোলোঁ দেও-বুত্ বালও বেয়াও।

৩য়, কাঃ।—কি কলি! দেও-ভূত বেয়া? এনে কথা নকৰি দেই। বোলে, "যাৰ যহত শাক-সেন্দুৰ, তাক পাতে ভোকোৰা এন্দুৰ!"—হেৰ, থাই-পাত-ফলা অগুণকাৰী নহবি দেই?

১ম, কাঃ।—( চেনি এচেলেক মাৰি ) সঁচা কিন্তু, শালপতিয়ে কিন্তু ভাল কৈছাঁ। গৃহস্তৰ লৰাটোক কিন্তু ভূতে নধৰা হলে কিন্তু আজিৰ সেৱাভাগেই নো কিন্তু কৰপৰা আহিলহেঁতেন? কানীয়া ভকতক কিন্তু ভূতে হে দিয়ে ৰুজি কিন্তু জানিছা?

৩য়, কাঃ।—সেই বাবেই তো আমি দেও-ভূতৰ মহিমা য'তে-ত'তে বহলাই কবলৈ চাব লাগে। দেও-ভূতলৈ ভয় বাঢ়েমানে আমালৈ ভোগ বাঢ়ে; ভূতলৈ ভয় টুটেমানে আমাৰ ভোগ টুটে।—বুজিছাঁহঁক।

১ম, কাঃ।—স্বৰূপ কৈছা কিন্তু এইফাঁকি কিন্তু আমাৰ গুপুত মন্ত্ৰ। ইয়াক কিন্তু পাহৰিব নেপায়; পাহৰিলে কিন্তু আমাৰ কিন্তু ধৰ্ম্ম নষ্ট হব।

২য়, কাঃ।—( জপৰ্-জপৰ্ টোপনিয়াই চক্‌মকৃকৈ ) ৰাতি বহুত হল হবলা!

৩য়, কাঃ।—এঃ, সাঁজ লাগিছে মাথোন। তোৰ হবলা শুবৰ পৰ হলেই? দোহোঁপাতে আল্‌মোকোটা থাই গলিচোন!

১ম, কাঃ।—সঁচা, শুবৰ পৰ কিন্তু হোৱা নাই তো। পিচে, কিন্তু এটা কথা; ৰাগিটো কিন্তু পকি উঠোতেই কিন্তু শুলে যেনিবা কিন্তু ভাল টোপনিটো কিন্তু আহে দেই।

৩য় কাঃ।—ঠিক ধৰিছা শালপতিয়ে কথাটো। হয় দেও, শুবগৈ হে লাগিল। দিহাদিহি পাটীত পৰোঁগৈহঁক।

১ম, কাঃ।—বাৰু, কিন্তু শোওঁগৈ। শুই শুই কিন্তু টোপনি আহেমানে কিন্তু দেও-ভূতৰ কথাকে কিন্তু জুকিয়াওঁগৈ। মানুহৰ কিন্তু বুকু নৰি

যোৱাকৈ কিন্তু ভূতৰ ভয় লগাবলৈ কিন্তু জানিব লাগে; তেহে কিন্তু আমাৰ ফন্দ, কিন্তু আঁট খায়। মনত কিন্তু ৰাখিবাহঁক কিন্তু!

২য়, কাঃ।—বাৰু, বাৰু, ৰাখিছোঁ মনত। কাইলৈৰপৰা বাৰু দেখিবাহঁক কি কৰোঁ। এই কথা লৈয়ে মই গাৱেঁ গাৱেঁ ফুৰিম নহয়। শুওঁগৈ এতিয়া যাওঁ; আৰু বব নোৱাৰি দেও! (অলপ পৰ টলকা মাৰি বহি কলমটিয়াবলৈ ধৰে)।

৩য়, কাঃ।—এৰা, এ-ৰা, এ-ৰা-আ (ঢাল খাই পৰে)।

১ম, কাঃ।—বা-বাৰু, কি-কিন্-তু (কাটি হৈ পৰে।)

(ভূতনাথৰ প্ৰবেশ)।

ভূতনাথ।—হাঁয়, হাঁয়! কি শুনিলোঁ! কি দেখিছোঁহি! ইহঁতেই অনৰ্থৰ মূল। কানিয়েই অসম দেশ খালে! কানীয়াই অসমীয়া সমাজ ডুবালে! এনে কানিখোলা নাভাঙিলে ভূত-বিশ্বাস ভঙা টান হৈছে। দেখা যাওক, কি কৰিব পাৰোঁ। চাওঁচোঁ, ইহঁতৰ শোৱনটোকে!

১ম, কাঃ।—(টোপনিত) হুঁ-ওঁ, উঁ-হুঁ, বান্ধ! শালপতি! নিয়ে, নিয়ে, নিয়ে কিন্তু এতিয়া মোক। ধৰিলে, ধৰিলে, কিন্তু ধৰিলেহিঔ! (চকু মেলি আছাৰ খাই বাগৰি পৰি) ঔ আই! সঁচাসঁচিকৈ কিন্তু মানুহৰ ৰূপ ধৰি কিন্তু আহিছে! (ভূতনাথলৈ চাই কঁপি কঁপি) ঔ আই! এইটো কিন্তু কি ভূতঔ!—মানুহৰ ভেশ ধৰি কিন্তু ছলিবলৈ আহিছে! (উঠি ভিৰাই লৰ মাৰি প্ৰস্থান)।

২য়, কাঃ।—(চকমক্কৈ উঠি ভূতনাথলৈ চাই) ঔ আই! নহয় নো কি! সঁচাকৈ এইটো ভূতঔ! বান্ধ, বান্ধ! (উঠি লৰি প্ৰস্থান)।

২য়, কাঃ।—(ভূতনাথলৈ চঁক্ ধৰি চাই) ঔ বুপাই! সঁচাকৈয়ে এইটো মনিষ-ভূত ঔ! ধৰিলেঔ! খালেঔ! মৰিলোঁ ঔ! (উধাতু খাই পলাই প্ৰস্থান)।

ভূতনাথ।—হঁয়, কি মাৰাত্মক ভ্ৰম! এই ভ্ৰম নুগুচিলে সমাজৰ মানুহ মানুহ হব কেনেকৈ! ইও এটা আমাৰ সংস্কাৰ-সভাৰ আলোচ্য বিষয় হব লাগে। যাওঁ, সমিতিৰ সভ্যসকলক ভাঙ্গি কওঁগৈ। কানিখোলা নাভাঙ্গিলে আমাৰ সমাজৰ উদ্গতি নাই। (প্ৰস্থান)

## দ্বিতীয় পট।

### (বাঁৰীৰ পজা)।

মাক আৰু নবীয়া পুতেক।

মাক।—(মূৰে-কপালে হাত দি) কিমান যে বুজনি দিলোঁ, বোলোঁ, বোপাই, পোতা-পুখুৰীত বৰশী বাবলৈ নাযাবি; তাত দ'ত থাকে, বাঁক্ থাকে, কেতিয়াবা ছলিব। বোলোঁ, খালে-বাঁহতলে ডেওপাৰি নুফুৰিবি; তাত যখিনী থাকে, ডাইনী ফুৰে, কাহানিবা গা চুব। বোলোঁ, বাটে-ঘাটে ফিচাহিনী আৰু ভুতুনী ফুৰে, দেখিলে ছঁয়াকাটি যাবি. সিইঁতে ভূত পোহে; ছেগ পালেই যাৰে-তাৰে গাত ভেলেকি বাণ মাৰি ভূত পোৱালি মেলি যায়। মোৰ হাক-বচন নামানি ডেওপাৰি ফুৰিলি, নেযাবলগীয়া ঠাইলৈ গলি; এতিয়া এই দশা! মই বাঁৰী-দুখুনী মানুহ, মোক কোনে পুতৌ কৰিব! কালিয়েই চৰতীয়া এটাৰে সৈতে তামোল-পাণ এটোপোলা দি বেজ গৰাকীক মাতি আহিলোঁগৈ, তেওঁ ইমান পৰলৈকে নাহিল; নাহিবই হবলা! হে ঈশ্বৰ, যি কৰা তুমি পৰ্ভু।

নবীয়া।—( চাটিফুটি কৰি প্ৰলাপ বকে ) মই যাওঁ। এৰি দে। সৌটো, সৌটো! ধৰে, ধৰে,—ধৰিলে! ধৰিলে ঔ! ( কঁপি কঁপি চিয়ঁৰ মাৰে )।

মাক।—ঔ, মোৰ বোপাইক জীয়াই জীয়াই নিয়েঔ! ধৰ্‌হিঔ, কোন্ ক'ত আছ আহঔ! মই ক'ত মৰোঁগৈঔ! ( ফটাকঁথাৰে সৈতে মূৰে-গাই ঢাকি নবীয়াক হেঁচা মাৰি ধৰি তাৰ ওপৰত উবুৰি খাই পৰে )।

( বেজৰ প্ৰৱেশ )

বেজ।—হে, হে, বাৰু অ। কাক নিয় অ? কোন্ তই? ৰৈ যা। চা, কি কৰোঁ তোক। মই খিতাই বেজ বুলি জানি লবি।

মাক।—( বাউলী হৈ ) ঔ, মোৰ ঈস্পৰ, ভাল ঠিকতে আহি পালাঁহি। এতিয়াই মোৰ বোপাইক জীয়াই জীয়াই নিবলৈ ধৰিছিলহি ভূতে।

বেজ।—বাৰু, আৰু ভয় নাই। আনিছোঁ মই তাৰ আহুদি। কচোন, কেতিয়াৰপৰা কি হৈছে।

মাক।—বেজদেও! কিনো কম! সিদিনা আমাৰ নামঘৰত ডাঙৰীয়া-ভকত উঠিছিল। ডাঙৰীয়া জনাই টেলেকাটেলেকি কৰা দেখি লৰাটোৱে চঁক্ খাই উঠি চিয়ঁৰ এটা মাৰিলে। তাৰ পাচৰপৰাই জ্বৰ।

বেজ।—বুজিছোঁ। মাজৰ কেদিনৰ ভিতৰত আৰু কিবা হৈছিল নে? গমি চাচোন।

মাক।—তাৰ পাচত, লৰাই হেনো এদিন বাটত ভূত-মেলা ফিচাহিনী এজনী লগ পাইছিল।

বেজ :—ওঁ। আৰু কিবা জান নে?

মাক।—নেজানো আৰু। পৰহি দিনা মাথোঁ জ্বৰৰ গাৰেই মুকলি ফুৰিবলৈ যাওঁতে, বাঁহতলত যখিনী এজনী দেখা পাইছিল হেনো।

বেজ।—ওঁ, বুজিলোঁ। তিনি ভূতে লগ লাগি উধান পাতি বহিছে; এতিয়া চকু বহুৱাবলৈ হে বাকী!

মাক।—সেইটো আৰু আপুনিহে জানা দেও! এই কেদিন সন্ধিয়াৰপৰা ফেঁচাজনীয়েও নিওঁ-নিওঁকৈ আছে।

বেজ।—বাৰু, ভয় নাই। পালোঁ হি ভূতৰ বাপেক। চাই থাক, কি কৰোঁ তাহাঁতক। যা, বিহলঙ্গনী এমুঠি, নাইবা এৰাপাত ছুখিলামান লৈ আহ। (জোলোঙ্গাৰপৰা মন্ত্ৰ-পুথি এখন, বগা সৰিয়হৰ টোপোলা এটা আৰু আন-আন আহিলা-পাতি উলিয়াই লৈ, নবীয়াৰ চাৰিওফালে সৰিয়হ এমুঠি চটিয়াই দিয়ে)।

মাক।—(লাহেকৈ উঠি) ভাল, আনোগৈ। বিহলঙ্গনী বিচাৰিবলৈ গলে পলম হব; এৰাপাতকে আনিম নে?

বেজ।—ওঁ, সি হলেও হব; পিচে বিহলঙ্গনী হলে যেনিবা ভাল। তাৰ কোবত ভূতৰ গা বৰকৈ পোৰে।

মাক।—ভাল তেন্তে বিহলঙ্গনীকে আনোগৈ। (কাচুতি এৰি ঢপলিয়াই যায়)।

বেজ।—(চকু পোন্দোৰাকৈ নবীয়ালৈ চাই) কোন্ তই? সঁচাকৈ ক। নকলেও আঁতিগুৰি উলিয়াই লম এতিয়াই। অলপ ৰবি।

নবীয়া।—(চাটিফুটিকৈ কাপোৰ-কানি পেলাই "যাওঁ-যাও" কৈ উঠি বহিব খোজে)।

বেজ।—(কাণ-টাল-মৰা ভেকাহি মাৰি) কলৈ যাবলৈ ওলাইছ কটা! জনা নাই, বাপেৰ আহিছোঁ বুলি। এপোটক নিদিয়াকৈ এৰি পঠিয়াম বুলি জানিছ হবলা? (নবীয়াৰ বুকুত হেঁচা আৰু ডিঙিত চেপা দি ধৰে)।

মাক।—(পুনঃ প্ৰৱেশ) এয়া বিহলঙ্গনী দেও! আৰু কিবা লাগিব জানো?

বেজ।—বাৰু, ৰবিচোন, ওপৰে ওপৰে এজাৰণ দি চাওঁ এথোন। (চুলি মেলি লৈ বিহলঙ্গনীৰে কোবাই ২ জাৰিবলৈ ধৰে)।

নবীয়া।—(জঁয় পৰি, আতুৰ ভাৱে) পানী, পানী, পানী!

মাক।—পানী খুজিছে, অকণ দিম নে দেও?

বেজ।—ৰবি, ভূতৰ বল মৰি আহিছে। আৰু নৰম হওক। (নিগনি এটা আগে দি লৰ মাৰে) দেখিলি, সেইটো ভূত-পোৱালি এৰাই লৰ মাৰিছে। এটা জাৰণত এটা যেনিবা খেদিলোঁ; আৰু কিবা আছে নে চাওঁ। ৰবি।

নবীয়া।—(আকৌ উদ্বাউল দি উঠে)।

বেজ।—বাৰু, আৰু কোনোবা এজনা আছে। দেখা যাওক। যাচোন পকাজলকীয়া গোটাদিয়েক লৈ আহ।

মাক।—(হুমুনিয়াহ্ পেলাই) বাৰু, যাওঁ আনোগৈ। (প্ৰস্থান)।

নবীয়া।—(আকৌ প্ৰলাপ বকে)।

বেজ।—ৰবি, অলপ ৰবি, আহিছে তোৰ আহুদি।

মাক।—(জলকীয়া আনি দি, আমনজিমনকৈ আঁঠু লৈ বহি একাণপতীয়াকৈ চাই থাকি) হে ঈশ্বৰ, কিৰপা কৰাঁ মোৰ বোপাইক, পৰ্ভু।

বেজ।—ল তোৰ আহুদি (পকা জলকীয়া এটা নবীয়াৰ নাকত ভাঙ্গি দিয়ে)। যাবি নে নেযাৱ, ক এতিয়া।

নৰিয়া।—(জলকীয়াৰ জালত চিয়ঁৰি-বাথৰি ঠেৰেঙ্গা লাগে)।

বেজ।—কেনে পাইছ? যাবি নে নেযাৰ?—গলি নে নাই?

নবীয়া।—(ঢেলেকাঢেলেকিকৈ চিপ্ লয়)।

বেজ।—(গতিক বিষম দেখি খৰধৰকৈ পুথি মোনাত ভৰাই লৈ) হুঁঃ, এটা হলেহে চাব পাবি; দুটা-তিনটা ভূতে কেতিয়াবাবে পিড়ি ধৰিলে। কি কৰিম! নোৱাৰিলোঁ ৰখাব! (বেগাবেগিকৈ প্ৰস্থান)

মাক।—( হিয়া ভুকুৰাই ) ঔ, মোৰ বোপাই কলৈ গলিঔ! এতিয়াই আছিল কথা কৈ, এতিয়াই মাত হেৰালঔ! মোৰ বোপাইৰ দেহৰপৰা জীৱটো কোনে উলিয়াই নিলিঔ!

( মুক্তিনাথৰ প্ৰৱেশ )

মুক্তি।—দেহিঐ, কেনেকৈ কি হল, বাই ?

মাক।—( বাউলী হৈ ) এ, কিনো সোধাঁ মোৰ দৌতা! যি হব লাগে হল! মই মাথোঁ নমৰি জীয়াই আছোঁ!

মুক্তি।—নৰীয়াক দৰপ-জাতি খুৱাইছিলি নে? অকল জ্বৰেই নে আন বিকাৰো আছিল?

মাক।—আছিল, আছিল, আন বিকাৰো আছিল। সেয়া নহয়, বেজে কৈ গৈছে। এটা নহয়, দুটা-তিনটা ভূতে ধৰিছিল, বেজে জানিবা জাৰি জাৰি এটা খেদিলে; আৰু এটা খেদিবলৈ নাকত পকা জলকীয়া ভাঙ্গি দিওঁতেই ইকেটা ভূতে মোৰ পোনাক নিলেই! ঔ, মই ক'ত মৰোঁগৈঔ! ( মাটিত পৰি মূৰ্চ্ছা যায়। )

মুক্তি।—হৰি, হৰি! কি হৃদয়বিদাৰক কথা! ভূত-বিশ্বাস আৰু বেজৰ উৎপাতে সৰ্ব্বনাশ কৰিছে!—বাই, যি হব লগা আছিল হল, বেজাৰ কৰাৰ আৰু সকাম নাই। এইবোৰ সকলো মিছা; ভূতও মিছা, বেজও মিছা। তইঁতে মিছা বিশ্বাসত ধৰি হে মৰিছ। মই বাৰু পাচত ভালকৈ ভাঙ্গি কম। এতিয়া মৰা নিবলৈ মই বেগতে মানুহ মাতি আনোগৈ। তই থিৰ হ।

( মুক্তিৰ বেগেৰে প্ৰস্থান )।

( আগকালে আন পটৰ ঢাকনি পৰে )।

—❖—

# তৃতীয় পট।

## ( গাৱঁলীয়া মাজবাট )।

ভূতনাথ আৰু ধৰ্ম্মেশ্বৰ।

ধৰ্ম্ম।—আমাৰ উদ্দেশ্য আজিলৈকে দেখোন অলপো সিদ্ধি নহল! মই আৰু ক্ৰমাৎ হতাশ হৈ হে গৈছোঁ।

ভূত।—কি কোৱাঁ?—হতাশ! এনে কথা মুখত নানিবাঁ, ৰাজখোৱা! আমি যি ব্ৰত লৈ ওলাইছোঁ, তাক পালন কৰিবলৈ প্ৰাণপণে যত্ন কৰি গৈ থাকিমহঁক। "মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন" এই দৃঢ় প্ৰতিজ্ঞা আমাৰ মনৰপৰা কেতিয়াও আঁতৰ হব নালাগে। ভূত-বিশ্বাস ঠাপতে গুচোৱা বস্তু নহয়।

ধৰ্ম্ম।—বুজিছোঁ। কিন্তু, মনে মানিলে হে! দুটা-এটা কাৰ্য্যৰ ফল ধৰা নেদেখিলে মনত উৎসাহ লাগিব কেনেকৈ? আৰু এটা কথা—

ভূত।—নাই আন কথা। তোমালোক জনদিয়েকক ভিতৰি অলপ বিগাৰি যোৱা যেন মই গম্ পাইছোঁ। সেই বাবে মই বৰ দুখিত; কিন্তু হতাশ নহওঁ। তোমালোকে এৰিলেও মই আমাৰ উদ্দেশ্য নেৰোঁ, নিশ্চয় জানিবাঁ।

ধৰ্ম্ম।—আমি নো এৰিম কিয়?—নেৰোঁ। ময়ো "নমৰোঁমানে চাম, দুবুৰে মানে বাম" বুলিয়েই ধৰিছোঁ। এৰিম কিয়?—পিচে, এটা কথা। বকৰা, তোমাক ভাবিবৰ মন নাই; ভাঙ্গি কওঁ। অলপ দহকৈ গমি চাবাঁ, কিন্তু বিষম নাপাবাঁ।

ভূত।—নাপাওঁ বিষম। কোৱাঁ। খোলাখুলি আলোচনা হে ভাল।

ধৰ্ম্ম।—কথা হৈছে, মন আৰু অন্তৰ একে কৰিব পৰা নাই দেখোন।

ভূত।—মই কথাষাৰ ভালকৈ তং কৰিব পৰা নাই; আৰু অলপ মুকলিকৈ কোৱাঁচোন।

ধৰ্ম্ম।—বোলোঁ, মনে যি মানিব খোজে, অন্তৰে তাক পালিব নোৱাৰে দেখোন। অৰ্থাৎ, ভূত নামানোঁ বুলি মন বান্ধি ওলাওঁ হয়, কিন্তু সৰুৰেপৰা যিবোৰ ঠাইত ভূত আছে বুলি বিশ্বাস কৰি আহিছিলোঁ, তাৰ ওচৰ চাপিলেই দেখোন বুকু কঁপি উঠে!

ভূত।—সঁচা। তুমি সঁচা কথা সৰলভাৱে কৈছাঁ। ভূত-বিশ্বাসে আমাৰ সমাজৰ হাড়ে-হিমেজুৱে এনেকৈ ভেজিছে যে, তাক বাজ কৰি ততালিকে তাৰ জইন্ মাৰিব নোৱাৰি। কিন্তু, মানুহৰ অসাধ্যও একো নাই; আৰু অভ্যাসত সকলো সিজে। ভূতৰ কথা, ভূতৰ গল্প সৰুৰেপৰা শুনি শুনি বিশ্বাস কৰাৰ কাৰণে সি আমাৰ অন্তৰত এটা স্বাভাৱিক অনুভূতি (instinct) হৈ বহিছে। ভূত-বিশ্বাসে আমাৰ অন্তৰত এনে ভাৱে থিত্ লৈছে যে, তাক এৰোঁ বুলিও এৰিব নোৱাৰাত পৰিছোহঁক। কিন্তু, যুক্তি খটাই অভ্যাস কৰিলে, তাক মনৰপৰা বাজ কৰি দিয়াটো অসম্ভৱ নহব।

ধৰ্ম্ম।—ঠিক কৈছাঁ। সেইটো ময়ো কওঁ। মাজে মাজে অভ্যাসতো ধৰিছোঁ। কিন্তু, মনে মানিলেও অন্তৰে নামানে! ভূত-বিশ্বাস নাহিলেও, ভয়টো স্বভাৱতে আগধৰি আহি পৰে।

ভূত।—সঁচা। এদিন-দুদিনৰ অভ্যাসেৰে ভূত-বিশ্বাস আৰু ভূতলৈ স্বাভাৱিক ভয়ৰ উদ্ৰেক হোৱাটো গুচাব নোৱাৰি। সেই কাৰণে, সততে ভূত থকা বোলা ঠাইবোৰত অকলে গৈ আত্ম-পৰীক্ষা

কৰিব লাগে। এনে অভ্যাস যিমান ঘন্ হব, ভূত-বিশ্বাস আৰু ভূতলৈ ভয় সিমান সোনকালে গুচিব।

ধৰ্ম্ম।—যত্নৰ ত্ৰুটী কৰা নাই। দেখা যাওক, সময়ত কি ফল ধৰেগৈ।

ভূত।—ফল নিশ্চয় ধৰিব। মাথোন, নিজে অভ্যাস কৰাৰ লগে লগে আনকো অভ্যাস কৰাবলৈ আমাৰ অবিশ্ৰান্ত পৰিশ্ৰম হব লাগে। বিশেষ, আমাৰ সমাজৰ অশিক্ষিত মানুহক অভ্যাসত লগোৱাৰ আগেয়ে সহজ আৰু সৰল বুজনিৰে সৈতে ভূত-বিশ্বাসৰ অমূলকতা আগধৰি কাৰ্য্যৰ পটন্তৰত দেখুৱাবলৈ চাব লাগে।

ধৰ্ম্ম।—চলিছোঁ তো সেই ভাবেই। দেখোঁ, কিমানলৈ আগুৱাব পাৰোঁহঁক।—অ, আজি মিঃ ফুকনৰে সৈতে আমাৰ দেখাদেখিয়েই নহলচোন!

ভূত।—দেখা হোৱাৰ কথাও নাছিল। তেওঁ আজি ভূত-ভ্ৰান্তিৰ পটন্তৰ সংগ্ৰহ কৰিবলৈ গাওঁ ফুৰিছেগৈ হব পায়।

ধৰ্ম্ম।—হব পায়। তেওঁ হলে প্ৰাণটাঁকি লাগিছে দেই।

ভূত।—সঁচা। তেওঁৰ অন্তৰৰ ভাব আৰু মুখৰ কথাত অকণো অমিল নাই। নেদেখা নে, মিঃ ফুকনে জয়াৰ ঠাইবোৰত কেনেকৈ বুকু ডাঠি ফুৰে।

ধৰ্ম্ম।—নেদেখিম কিয়? মই নিজে কেইবাদিনো তেওঁক অকলে কেইবাখনো জয়াৰ ঠাইত লগ পাইছোঁ। বাৰু, বৰুৱা, আজিৰপৰা ময়ো তেওঁৰ দৰেই বুকু ডাঠি ফুৰিবলৈ অঙ্গীকাৰ কৰিলোঁ। অহা মঙ্গলবাৰে, আঁউসী ৰাতি, মৰণৈ পাৰৰ মৰিশালিলৈ গৈ, মই চূড়ান্ত আত্ম-পৰীক্ষা কৰিম।

ভূত।—কিন্তু, সেই পৰীক্ষাৰ নিদৰ্শন পালে হে আনে পতিয়াবলৈ চল লাগিব।—নহয় জানো?

ধৰ্ম্ম।—সঁচা। বাৰু, সেই ৰাতি মৰিশালিলৈ গৈ, মই এটা মৈদামৰ ওপৰত খুঁটি এটা পুতি থৈ আহিমগৈ। পিচদিনা তোমালোক আটাই-কেইওজনে চাবাঁগৈ।

ভূত।—ভাল কথা। মই আজিয়েই এই কথা আমাৰ ফুকন, স্মিথ আৰু আঙ্কাৰক জানিবলৈ দিম। আশা কৰোঁ, আগন্তুক আত্ম-পৰীক্ষাত তুমি সুফলমে উত্তীৰ্ণ হবাঁ। এতিয়া যাওঁগৈ বলাঁ।

( দুইৰো প্ৰস্থান )

## চতুৰ্থ পট।

### বধাকাৰ দলনিৰ মহখুঁটি।

( এটা গুৱালৰ প্ৰৱেশ )

গুৱাল।—(আতঙ্কত অস্থিৰ হৈ ফোঁপাই ফোঁপাই) মৰিলোঁ, মৰিলোঁ! কোনে ৰাখে আজি মোক গোসাঁই! এই নিজান খুঁটিত মই কেনি যাওঁ, ক'ত পলাওঁ! আইঔ! আকৌ পায়হি পায়হি যেন লাগিছেঔ! ( মুক্তিনাথৰ প্ৰৱেশ )

মুক্তি।—এইটোচোন গঙ্গাকাই। হেৰ, গঙ্গাকাই, তোৰ হৈছে কি? হায়ঔ-বিঔখন লগাইছ দেখোন?

গুৱাল।—এ, কিনো সোধা বুপাটি! ভাল গুলাইছাঁহি এনে পৰত। তোমাক ঈশ্বৰ হে বুলিছোঁ। সঁচাকৈয়ে তুমি মোক জীয়াবলৈ হে আহিলা, বুপাটি!

মুক্তি।—কিনো হৈছে? কচোন বাৰু, ক। ইমানকৈ আতুৰ হৈছ নো কিয়? কোনোবাই কিবা কৰিলে নে কি?

গুৱাল।—বুপাটি! কিহবাই কিবা কৰিছে নে বুলি সোধঁা। তেহে বিহাবলৈ চল লাগিব, বুপাটি। (বুকুত হাত দি ফোঁপাবলৈ ধৰে)।

মুক্তি।—বাৰু, সুধিছোঁ সেই বুলিয়েই। কচোন, কিহে নো কি কৰিলে?

গুৱাল।—বুপাটি! মোক অকলে টঙ্গি-ৰখীয়া থৈ আনবোৰ গুৱাল মাছ-খড়ি বিচাৰি দিহাদিহি গৈছে। মই অকলে অকলে মহ চৰাই থাকি, ভাগৰ লগাত, সৌখিনিতে বহি পৰিলোঁ। বহি বহি মহজাকৰ ফালে চাই আছিলোঁ। পিচে, বৰ ভাগৰে ধৰিলে। কালি ৰাতি ভাত খাবলৈকো নহল। ভোকত পেটে কল্মলাবলৈ ধৰিলে। চকুৰ আগত জ্বলক্-তবক্ যেন লাগি আহিল। বহি থাকোঁতেই টোপনিয়ে চকু দুটা মুদাই নিবলৈ ধৰিলে। এনেতে,—ঔ! বুপাটি, ধৰাঁ ধৰাঁ মোক! ধৰিলেহিঔ! (মুক্তিৰ গাত গবামাৰি ধৰেগৈ)।

মুক্তি।—ভয় নকৰিবিচোন। মই আছোঁ, একো ভয় নাই। কৈ যা কি হল।—পিচে?

গুৱাল।—(টেলেকাটেলেকিকৈ) পিচে বুপাটি, বৰ ডাঙৰ,—ঔ বুপাই! বৰ শকত! বৰ ওখ! আমাৰ গোনা মহটো যেন শিং-লগা—কিবা এটাই ছঁয়াময়াকৈ আহি মোক হেঁচা মাৰি ধৰিলেহি!—ঔ আই! মই তাৰ মুৰৰ ছাঁটো হে দেখিলোঁ!—তাৰ শিংযোৰ! বুপাঔ! আমাৰ মেনী মহ জনীৰ শিঙ্গতকৈও দীঘল-বহল! (কঁপিবলৈ ধৰে)।

মুক্তি।—বাৰু, কৈ যা। কৈ অন্ত কৰ। নকঁপিবিচোন। মই আছোঁ নহয়; ভয় নাই।

গুৱাল।—বাৰু, বাৰু, নকপোঁ, বুপাটি! (থকৰ্-বকৰ্কৈ) কি কম? সেই ভূতটোৰে—সেইটো মহ-যথ হব পায়—মোক গিলিপ মাৰি ধৰিলেহি। মই মূৰপোলোকা দি কথমপি হে এৰাই এইখিনি পাইছোঁহি, বুপাটি!

মুক্তি।—বাৰু, তই যেতিয়া সৌখিনিত বহি কল্মটিয়াইছিলি, তেতিয়া তোৰ সপোন দেখা যেন লাগিছিল নে?

গুৱাল।—ওঁ, হয়, বুপাটি, হয় লাগিছিল।

মুক্তি।—বাৰু, তেতিয়া তইঁতৰ মেনী মহজনী কোন্খিনিত আছিল?

গুৱাল।—সৌখিনিত (হাত মেলি দেখুৱায়)। তাই ঠিক মোৰ পিঠিৰ পোনে-পোনে বেলি ওলোৱাৰ পিনে আছিল।

মুক্তি।—আহচোন সেইখিনিলৈ যাওঁ। মই ভালকৈ চাওঁগৈ।

গুৱাল।—উঁহুঁ, মই নেযাওঁ; তুমিয়েই যোৱাঁ, বুপাটি। মই ইয়াৰপৰাই দেখুৱাম (ঠক্ঠক্কৈ কঁপে)।

মুক্তি।—বাৰু, আহোচোন আহ। কিহৰ ভয়, মই আছোঁ নহয়? (মুক্তিয়ে হাতত ধৰি টানি নিয়ে। গুৱাল কঁপি-কঁপি চুঁচৰি যোৱাদি থকৰ্-বকৰ্কৈ যায়)।

গুৱাল।—তুমি মোৰ কাষৰপৰা নেযাবাঁ আকৌ?

মুক্তি।—বাৰু নাযাওঁ। তই আগৰ ঠাইতে আগৰ দৰে বহচোন।

গুৱাল।—(কাওবাওকৈ) এ-হে-এ, মই নোৱাৰোঁ বহিব। ভূতটোৰে আকৌ হেঁচা মাৰি ধৰিবহি!

মুক্তি।—নধৰে বাক, বহচোন। (হেঁচা মাৰি বহুৱাই মুক্তিয়ে গুৱালৰ পিচ্ফালে থিয় দি নিজৰ বাহু দুটা তুলি মহৰ শিঙৰ দৰে ঘোৰ খুৱাই হেন্দোলনি দিয়ে)। কচোন বাক, আগত কি দেখিছ?

গুৱাল।—তোমাৰ ছাঁটো দেখিছোঁ, বুপাটি। মহৰ শিঙৰ দৰে তোমাৰ হাত দুখন তুমি ঘোৰখুৰাই লৰাইছাঁ।

মুক্তি।—বাৰু, তোৰ মেনী মহজনী আছিল কোন্ খিনিত?

গুৱাল।—ঠিক সেই খিনিতে। তুমি থিয় দিয়া ঠাইতে।

মুক্তি।—বাৰু, তেন্তে তই এতিয়া দেখা ছাঁটো মেনী মহজনীৰ ছাঁ নো নহব কিয়?

গুৱাল।—( অলপ তং কৰি ) হব পাৰে।

মুক্তি।—আৰু, তেতিয়া তোৰ সপোন দেখা যেন লাগিছিল; সপোনত নাভুত-নাশ্ৰুত কাণ্ড দেখি,—নহয় জানো?

গুৱাল।—হয়। সপোনতো দিঠকত দেখাৰ দৰে দেখি।

মুক্তি।—তেন্তে আচল কথা বুজাই কওঁ, শুন্। ভোকত তোৰ গা এনেয়ে আচন্ৱাই কৰি আছিল। তাতে ভাগৰ-টোপনিৰ জিলিমিলিত কিবাথন দেখিলি। ছাঁটোকে বাঘটো যেন দেখাৰ কথা তই জানই। তইঁতৰ মেনী মহৰ ছাঁটোকে সেই অৱস্থাত তই কিবা এটা যেন দেখিলি। আচলতে সি ভূত নহয়। সেই বোৰকে নজনা মানুহে মিছামিছিকৈ ভূত ভাবি ভয় খায়। বোলে, বনৰ বাঘে খাওক-নাখাওক মনৰ বাঘে খায়।—নহয় নে?

গুৱাল।—( তং কৰি চাই ) হয়। স্বৰূপ কৈছাঁ, বুপাটি! বাৰু, এতিয়াৰপৰা এই কথা মনত ৰাখি ফুৰিম। আনবোৰ গুৱালকো আহিলে কম। ভাল গিয়ান দিলাঁ, বুপাটি!

---

অঙ্কপাত।

# ৪। অঙ্ক।

## প্ৰথম পট।

### ( শিৱদৌল )

এজন সন্ন্যাসী আৰু দুজন "ছেলা"।

১ম, ছেলা।—( ভাং মলি মলি ) বেবাজী, হামি ইস্কু মলি মলিকে একদম্ জহৰ বনাই দেগা। আপুনি দেখেগা।

সন্ন্যাসী।—হাঁ, আচ্ছেই হে, বানাও।

২য়, ছেলা।—চাও, ভাই, মোক দিয়াচোঁ ; ময়ো এমলা মাৰি দিও। ( ১ম, ছেলাৰপৰা ভাং-টিকিৰা নিজৰ হাতলৈ লৈ মলি মলি সন্ন্যাসীক দি ) দেখিয়ে বেবা, হামি মলি মলিকে একদম্ বৰএঠাকা মাফিক্ লেটেকা কৰি দিয়াহেঁই।

সন্ন্যাসী।—( গোটাদিয়েক টিপনি দি ভাংটিকিৰাটো ১ম, ছেলাৰ হাতলৈ দি) ইচিকো জহৰ বল্‌তা। আভি কুঁটুকে লাগাও।

১ম, ছেলা।—বহুত এচ্ছা বেবা ! ( ভাং কুটিবলৈ লাগি যায় )।

২য়, ছেলা।—এচ্ছা, বেবা ! হামি এক বাট পুছিব মাঙ্গিছে।

সন্ন্যাসী।—আচ্ছা পুছও, ক্যাবাত.।

২য়, ছেলা।—বেবা ! আপুনি এন্ধাৰ ৰাত্তি মৰিশালিমে কিয়া আস্তে হৰ্দম যাতাহে ?

সন্ন্যাসী।—যাতাহেঁই বহুত-বড়া কামকোৰান্তে।

২য়, ছেলা।—কিয়া কাম, বেবা ?

সন্ন্যাসী।—ওই কাম্‌কা বাত্‌ আভি তোম্‌কো বাটানেকো বখত্‌ নাহিহেঁই।

২য়, ছেলা।—এচ্ছা বেবা! হুঁৰা যানেকো আপ্‌নাকো ডৰ্‌ নাহি লাগে ?

সন্ন্যাসী।—ক্যা ডৰ্‌? কিচ্‌কো ডৰেগা ?

২য়, ছেলা।—কিয়, ভূতকো নাই ডৰ্‌ কৰেগা ?

সন্ন্যাসী।—আৰে, চব ভূতকো হাম আপ্‌না কৰ্কে লিয়াহেঁই। আভি হাম ভূতকো নাহি ডাৰ্‌তাহেঁই।

২য়, ছেলা।—ভূত কেইচা মাফিক আপোন হগা বেবা ?

সন্ন্যাসী।—আৰে, বুৰ্ব্বক! পঞ্চভূত তো হামাৰা আপ্‌না বদনমেই হেঁয়। উচ্‌মে বাহৰকা তবাম ভূত জম্‌গিয়াহেঁই। আভি হাম্‌ পূৰা ভূত হো গিয়াহেঁই।

২য়, ছেলা।—(আতঙ্কিত হৈ মনে মনে) কিনো কয় এওঁ! এওঁ হেনো নিজেই এটা পূৰা ভূত! বুপায়ও, আমিচোন আচলটোৰে সৈতেই সঙ্গ পাতিছোঁহি!

১ম, ছেলা।—(ভাংচিলিম লগাই আগবঢ়াই দি) ধৰিয়ে বেবাজী।

সন্ন্যাসী।—(ভাংচিলিম টানিবলৈ দিহা লগাই লৈ) বোম্‌ সদাশিব, বোম্‌ কৈলাসপতি, বোম্‌ মুক্তিনাথ বাবা, বোম্‌! (চিলিমত টান মাৰি নাকে-মুখে ধোঁৱা এৰি, তাৰ পাচত আকৌ দুটা টান মাৰি লৈ চিলিম ছেলাৰ হাতলৈ দিয়ে) আভি পিউ তোম্‌লোক্‌। (চকু মুদি ধ্যানত মগ্ন হয়)।

২য়, ছেলা।—(স্ফূৰ্ত্তিৰে সৈতে ভাং চিলিম টানিবলৈ চিয়াই লৈ) বোম্‌ মহাদেৱ! বোম্‌! (দীঘলকৈ টান মাৰি নাকে-মুখে ধোঁৱা উলিয়াই চিলিমটো প্ৰথম ছেলালৈ পাৰ কৰে)।

১ম, চেলা।—( টানিবলৈ দিহা লগাই লৈ ) বোম্ বোম্ বোম্ মহাদেৱ! খানেৱালাকো খড়ি মাটি, দেখনাৱালাকো পেট ফাটি, বোম্ ( দীঘলকৈ এটা টান মাৰি চিলিমৰ ওপৰলৈ জুই উলিয়াই নাকে-মুখে ধোঁৱা বাহিৰ কৰে )।

১ম, ও ২য়, চেলা।—( কেইবাৰমান ভাংচিলিম দুইবো মাজত সলনা-সলনিকৈ টানি জলকা লাগে )।

২য়, চেলা।— ( চঁক্ লৈ ) জানিছাঁ নে ভাই, এওঁ বেবাজী হেনো নিজেই এটা ভূত!

১ম, চেলা।—ওঁ, শুনিলোঁ তো এতিয়াই তেওঁ কোৱা। আৰু, শুনিছোঁ এওঁ হেনো মৰিশালিলৈ গৈ মৰা-শৰৰ ওপৰত বহি ময়াপী ভূতৰ লগত কথা পাতি থাকেগৈ!

২য়, চেলা।—নিজে ভূত নহলে নো বাৰু এনে অদ্ভুত কাম কৰিব পাৰে নে?

১ম, চেলা।—নোৱাৰে নোৱাৰে। আৰু, কাৰ সাধ্য, অকলে মৰিশালিলৈ যায় এন্ধাৰ ৰাতি!

২য়, চেলা।—পিচে, আমি এনে জনৰে সৈতে সঙ্গ পতাটো ভাল হৈছে জানো? এওঁ আমাক ছলিছে যেন পাইছোঁ।

১ম, চেলা।—ওঁহুঁ, নাই হোৱা, নাই হোৱা ভাল। কেতিয়াবা বঙ্কেই ভক্ষক হব পিচে!

২য়, চেলা।—( ধ্যানমগ্ন সন্ন্যাসীৰ চকুলৈ আঙুলিয়াই ) চোৱাচোঁ, চোৱাচোঁ হেৰা, চকুযোৰে কেনে কৰিছে!

১ম, চেলা।—ঐ আই! হয়ো কি নহয়! চকু-আওনিয়েদি কিবা এটা ওলায়-ওলায় যেন দেখি যাওঁচোন!

২য়, চেলা।—নেদেখি নো কি! ঐ আই! চাওঁতেই ধৰেহি ধৰেহি যেন লাগি যায়! জানিছানে, এই ছেগতে পলোৱা হে ভাল। নহলে—

১ম, ছেলা।—নহলে ধৰিবহি কোনোবা এছেগত। আহাঁ, আহাঁ, দেওঁ, আঁতৰোঁ। লাহে লাহে। তেওঁ গম্ নোপোৱাকৈ। আহাঁ, আহাঁ, আহি থাকাঁ। (খোজ মাৰি মাৰি আঁতৰে)।

২য়, ছেলা।—এৰা। বলাঁ, বলাঁ। ধীৰে ধীৰে (দুয়ো হাতৰ সাৰে ভৰিৰ সাৰে এখুজি-দুখুজিকৈ আঁতৰি গৈ থাকে)।

সন্ন্যাসী।—(চকু মেলি) আৰে! ক্যা হোৱা তোম্‌লোগ্‌কো? কাহাঁ ভাগ্‌তাহেঁই?

১ম, ছেলা।—ঔ আই! চকু নে জুই ঔ এইকুৰা!

২য়, ছেলা।—বুপায়ঔ! চকু চমক্ লগাই নিছে! ভূত নহলে নো এওঁ এনে অগ্নিবান মাৰিব পাৰে নে?

সন্ন্যাসী।—(খঙত টেলেকাকৈ চাই) ক্যা বল্‌তাহেঁই তোম্‌লোগ্?

১ম, ছেলা।—হেৰৌ কি চাই আছ ঔ! ধৰেহি এতিয়া! সঁচাকৈয়ে এইটো ভূতে ধৰে এতিয়া আমাক ঔ!

২য়, ছেলা।—ঔ ধৰিলেঔ! খালেঔ! মৰিলোঁ ঔ! (১ম, ছেলাক গৰামাৰি ধৰে, আৰু দুয়ো গৰীয়াগৰিকৈ ভয়ত কোঢ়াল লগাই লৰি পলায়)।

সন্ন্যাসী।—(আচৰিত হৈ থিয় দি) এ ক্যা বাত্? ক্যা হোৱা ইন্‌লোগ্‌কো? আৰে, জেৰা ঠাৰ, শুন্ লওঁ হামাৰা বাত্। (পিচে পিচে বেগেৰে খেদি যায়)।

# দ্বিতীয় পট।

## ( গাঁৱলীয়া খালবাট )।

দুজন গঞা।

১ম, গঞা।—( প্ৰৱেশ ) উঃ, এনে জয়াৰ ঠাই দেও! গোটেইখন নিজান-নিটাল। কেনিও দেউ-মনিচ্ এটি দেখিবলৈ নাই। এই নেসেনা বাটেদি অকলে অহাটো ভাল হোৱা নাই একা। কাকো লগ-ভাগ লবলৈকো নহল। কি কৰিম, সিজনীয়ে আকৌ তত্ দিলেহে! ইঃ, গাটো জিকাৰি উঠেচোন! কি কৰোঁ। আগলৈ চালেও মৰোঁ, পিচলৈ চালেও ডৰোঁ!

২য়, গঞা।—( প্ৰৱেশ ) অ, সেইটি মথুৰা ককাই নে? কলৈ যা, ককাইটি?

১ম,।—( মনতে ) উঃ বইখা পালোঁ দেও। ( ফুটাই ) হয় ভাইটি, তইঁতৰ গাঁৱলৈকে বুলি আহি আছোঁ।

২য়,।—সকাম?

১ম,।—এ, কিনো কম বুপাই! মোৰ লবাটিৰ টান নৰিয়া। আজি দুদিনমানৰপৰা যোৱা-খোৱা। কালি দুপৰীয়া বাজলৈকে উলিয়াইছিলোঁ!

২য়,।—পিচে?

১ম,।—পিচে, সেই দৰেই আছে। আজি পুৱা মঙ্গলতীয়ে কৈছেহি, বোলে জলশাই ডাঙৰীয়াৰ দোষ লাগিছে। সেই দেখি, ভকতক চাউল

একঠা খুৱাবলৈ বুলি আম্‌ৰলীয়া হাঁহ এটা বিচাৰি ওলাইছোঁ। পাম নে তইঁতৰ গাঁৱত ?

২য়, ।—ওঁ, পাবি। পিচে, এটা কথা নহয়! জল্‌শাই ডাঙৰীয়াৰ হৈ বগা হাঁহেৰে হে চাউল খুৱায়। ক'ত নো বুঢ়া হলি, ইমানটো কথাৰে বুজ নাই!

১ম, ।—এৰা, বুপাই! কিবা বোলে নে, চন্‌বলিয়াৰ দৰে হে হৈছোঁ। নবীয়াক পৰ দিওঁতে দিওঁতে চকুৰ টোপনি আৰু পেটৰ ভাতো হেৰাইছে।

২য়, ।—নকবি আৰু ককাইটি! মোৰো সেই দশা!

১ম, ।—কিয়, কি হৈছে? তইঁতৰ ঘৰতো কিবা পয়মাল হৈছে নে কি?

২য়, ।—নহয় নো কি আকৌ। আজি সাদিন একেটা জ্বৰে মোৰ সৰু ছোৱালীটো চেপেটা কৰিলে ককাই! গল ৰাতিৰপৰা আকৌ কোনোবা এজন দেউ-ভূত লাগিছেহি; নবীয়াই চাটিফুটিকৈ বলকিব লাগিছে, তৰণিকে পোৱা নাই!

১ম, ।—পিচে, কি বেৰষ্টা নো কৰিছ?

২য়, ।—কৰিম নো কি! জৰী এগছকে জৰাই নিবলৈ বুলি, তইঁতৰ গাঁৱৰ 'পণ্ডিত-বুঢ়াৰ' কাষলৈ লৰি আহিছোঁ। পামগৈ নে তেওঁক ঘৰত?

১ম, ।—ওঁ, পাবিগৈ। মই আহোঁতে তেওঁ খাই উঠি মুহদি লৈছিল। যা, যা, পণ্ডিত-বুঢ়াৰ জৰীয়ে বৰ গুণ দিব?

২য়, ।—এৰা, তেওঁৰ বৰ নাম। তেওঁৰ নাম শুনিলেই হেনো ভূত পলায়।

১ম, ।—নকৈছোঁ। তেওঁ এগৰাকী বৰ বিচৈখনীয়া বেজ। অঃ, তেওঁৰ গাত ভালেমান গুণ আছে, বুপাই।

২য়, ।—আৰু নো কি গুণৰ কথা কৈছ ?

১ম, ।—ঔ ৰাম! তেওঁক ভূতেও বাট এৰি দিয়ে নহয়। তেওঁৰ হাতত যে বেৰী-দিয়া লাখুটীডাল দেখিছ, তাতে আছে সোপায়।

২য়, ।—কেনেকৈ, কেনেকৈ ? ভাঙ্গি কচোন।

১ম, ।—বাৰু, কওঁ শুন্। বেৰীটোৰেপতি একোফাঁকি মন্ত্ৰ, বুইছ ? যি ভূতেই হওক, তেওঁ লাখুটীডাল দাঙ্গিলেই চাঁত্‌কৰে আঁতৰ হয়।

২য়, ।—ভালেটি হে! তেওঁ সিদিনাখন আমাৰ গাঁৱত নৰীয়া চাই ৰাতি ঘৰলৈ উলটিছিল, জানিছ ? মঙ্গলবাৰ, আঁউসী ৰাতি। এই ঠাইতে কোনোবা খিনিত, ঔ গছ এজোপাত এটা ভৰি আৰু বাটৰ সিপাশে পমাগছ এজোপাত আনটো ভৰি দি, কন্ধ্‌ এটাই তেওঁক আগচি ধৰিছিল। পিচে, তেওঁ হাতৰ লাখুটীডাল টোৱাওঁতেই চাঁত্‌কৰে কন্ধটো ময়াপী হল।

১ম, ।—( জিকাৰ খাই উঠে ) ঔ ৰাম! এই খিনিতে! ইপাশে সৌ জোপা ঔ-গছ; সিপাশে সৌ জোপাচোন পমা গছ! আমি তং কৰাই নাই। ভাইটি, চাপি আহ। গালৈকে টান পৰিলচোন!

২য়, ।—হয় যে নহয়! ( চঁক্ লৈ চাপি যায় )। আৰু হেনো ককাইটি,—

১ম, ।—আৰু ? জুৰিছে ইমানেই। তেও বাৰু, কচোন আৰু কি ?

২য়, ।—কন্ধটোৱে হেনো এইখিনিত,—ঔ আই, এই খিনিতে!—এই খিনিত ছলিব নোৱাৰি আকৌ আগচি ধৰিলেগৈ। পোনতে সি কলা মেকুৰী এটা হৈ তেওঁৰ আগেদি পাৰ হয়; তাৰ পাচত, আৰু অলপ আগত গৈ, পখালিকোঘোৰা এটা হৈ পণ্ডিত-বুঢাৰ ঠেংতলে মৰকিবলৈ বাগৰি আহিছিল। এনেতে—

১ম, ।—কিয়, কিয়, ঠেংতলে সৰকে কিয় ?

২য়, ।—নেজান নে ? ভূতে ঠেংতলে সৰকিবলৈ পালেই জানিবি, সি তোক ছলিলে ! ক'ত নো বুঢ়া হলি, ইমানটো কথাকে নেজান ! কওঁ শুন্। তোক যদি ভূতে তাৰ ঠেংতলে সৰকাব পাৰিলে, তেনেহলে সি লাগিল তোৰ পিচ্। আৰু, ভূতে যদি তোৰ ঠেংতলে সৰকিবলৈ সুৰুঙ্গা পালে, তেনেহলে তো কথাই নাই, তেতিয়াই তোক ছলিব ! ভূতে এইদৰে ছলিয়েই তো আমাক খাইছে ! ভূত ময়াপী। আমি কণা মনিচ্, তাক নেদেখোঁ। সি কিন্তু দেও-চকুৰে আমাক দেখি থাকে। বেজ-গিয়ানীয়ে মাথোঁ মন্ত্ৰৰ বলত ভূত দেখা পায়। সেই গুণে হে তো পণ্ডিত-বুঢ়াই কন্ধটোক আগধৰি দেখা পালে। দেখা পায়েই মন্ত্ৰেৰে বেৰী লগোৱা তেওঁৰ হাতৰ লাখুটীডাল যেই টোঁৱালে, সেই চাঁতকৰে ময়াপী হৈ ভূতটো থিতাতে নেদেখা হল।

১ম, ।—পিচে, পিচে, তেওঁক ছলিব পাৰিলে নে ?

২য়, ।—নাই, নোৱাৰিলে। কোমোৰাটো কাষ চাপোঁতেই পণ্ডিত-বুঢ়াই কিবা মন্ত্ৰ এফাঁকি মাতি লাখুটীৰে সৈতে তাৰ গাত মাৰ এটা মৰা মাত্ৰকে কন্ধটোৱে কোমোৰাৰপৰা ফুটি ওলাই নিজ ভেশ ধৰি লৰ মাৰিলে।

১ম, ।—ইঃ, ৰাম-ৰাম ! ৰাম-ৰাম ! আমি হোৱা হলে পতং !

২য়, ।—পতং বুলিছ হে ! আমাৰ গাত কি মন্ত্ৰ আছে, তেনে ভূতৰপৰা সাৰিবলৈ ?

১ম, ।—ভাল কথাটো শুনালি, বুপাই ! পিচে, কৰোঁ কি এতিয়া ? আগুৱাবলৈকো ভয়, পিচুৱাবলৈকো ভয়। অকলে আৰু খোজ এটাকে লৰাব নোৱাৰোঁ, বুপাই ! তই হলেও মোৰ লগত

উভতি বল, মই হলেও তোৰ লগত উভতি যাওঁ।—কি বোল? পলমে বিঘিনি মিলাব এতিয়া!

২য়,।—এৰা, বিবুদ্ধি! মই হলে উভতিব নোৱাৰোঁ ককাইটি, মোৰ ছোৱালীটো যায়-যায়!

৩য়,।—মোৰ লৰাটোৰ অস্থাও যে তেনেকুৱাই। লৰাৰ যি কি নহওক, শুদা হাতে উলটিব লাগিলে, সিজনীৰপৰা ৰইথা পোৱাই টান হৈছে নহয়। নিৰুপায়!

(ভূতনাথৰ প্ৰৱেশ)।

২য়,।—কোন্ হে সেইটি? অ, আমাৰ বপা। বপা, কোন্ ফালে বা যায়?

ভূত।—আহিছোঁ এই ফালেই। সম্প্ৰতি তহঁতৰ ওচৰলৈকে।

১ম,।—কিয়, বুপাটি, আমি কিবা লেঠা লগালোঁ নে কি?

ভূত। এৰা, লগাইছ তো। পিচে, লেঠা বাহিৰত নহয়, ভিতৰত হে। তহঁত দুয়ো ইয়াত যিবোৰ কথা-বাৰ্ত্তা পাতি আছিলি, মই সৌ জোপাটোৰ আৰৰপৰা আটাইবোৰ শুনি আছিলোঁ। তহঁতৰ ভিতৰত যি লেঠা লাগিছে, তাকে ভাঙ্গি দিবলৈ বুলি হে চাপিছোঁহি।

১ম,।—ভাল, বুপাটি! কিবা লেঠা দেখিছা যদি, যেনেকৈ ভাঙ্গিব পাৰাঁ, ভাঙ্গি দিয়াঁ। আমি মান্তি আছোঁ।

ভূত। বাৰু, তহঁতে আৰু আগুৱাবও নালাগে, পিচুৱাবও নালাগে। দুয়ো মোৰ লগত মই অহা মাজবাট ধৰি আহহঁক। মই নিবলে তহঁতৰ ভিতৰৰ লেঠা ভাঙ্গি দি সকলো অপায় খণ্ডাই দিওঁগৈ আহহঁক।

১ম,।—ভাল, বলা, বপা, আগ হোৱাঁ। পিচে, সেই ফালে হাঁহ কিনিবলৈ পোৱা হব জানো?

ভূত।—হাঁহ নিকিনাকৈ আৰু বেঙ্গ নলগোৱাকৈয়ে তহঁতৰ নৰীয়া ভালকৈ দিওঁগৈ, আহচোনহঁক বাৰু। তহঁতে মিছাতে, ভ্ৰমত পৰি হেৰাথৰি খাই ফুৰিব নালাগিব আৰু; মোৰ বুজনি মানি চলিবিহঁক মাথোন। ভূত বুলি একো এটা নাই; সেইটো মনৰ ভ্ৰম হে।

২য়,।—অঃ, তেনেহলেচোন ভালেই। বাৰু, বলা, বলা বপা, বলা।

( তিনিওৰো প্ৰস্থান। )

# তৃতীয় পট।

## ( মৰনৈপাৰৰ মৰিশালি )

( ধৰ্ম্মেশ্বৰ অকলশৰে )

ধৰ্ম্মেশ্বৰ।—( গাত আঁঠুলৈকে পৰা এটা দীঘল এঙাচোলা, কঁকালত তললৈ ফেৰমেলা থোৱেৰে পাটৰ চুৰিয়া, ভৰিত জোতা-মোজা, এহাতে এটা জোঙ্গাল বাঁহৰ খুঁটি, ইহাতে এডাল টাঙ্গোন ) উঃ! কি জয়াৰ ঠাই! চাৰিওপিনে ঘোপ্‌মৰা আন্ধাৰ! এনে ক্ষণত এনে ঠাইলৈ মানুহৰ যে সমাগম নায়েই, দেৱতাৰো দৃষ্টি নপৰে! ভালেতো হে মানুহে ভয় কৰে। ভূত নাই বুলি অন্তৰত মোৰ বিশ্বাস যদিও, মনে নামানে, বুকু কঁপি উঠে। উঃ! কি ভয়ঙ্কৰ দৃশ্য! অন্তৰত কি উগুলথুগুল ভাব! কি যে বিষম বিশ্বাস! ভূতৰ ভয় মোৰ অন্তৰত ইমান দকৈ বহি গৈছে যে, তাক যুক্তিৰে সৈতে কৰি উলিয়াব নোৱাৰি। সৰুৰেপৰা শুনি থকাৰ ফলত, ভূত-বিশ্বাস এতিয়া এটা মোৰ স্বাভাৱিক প্ৰবৃত্তি হৈ পৰিছে। ইয়াৰ স্থিতি যুক্তিৰ অতীত। মোৰ নিজৰ বিশ্বাস, ভূত নাই। লোককো বুজাওঁ, ভূত নাই। কিন্তু, সময়ত নিজৰ সেই দৃঢ় বিশ্বাস তল পৰে,

আন্তৰিক অনুভূতি (instinct) ওপৰ উঠে! নিজৰ যুক্তি এতিয়া নিজতে খটাব নোৱাৰা হৈছোঁচোন। ইঃ! গাটো কেনেকৈ জিকাৰি উঠে! পিৰ্‌পিৰ্‌কৈ গাৰ নোমবোৰ কেনেকৈ শিয়ঁৰি উঠিছে! উঃ, হাত-ভৰিবোৰচোন অৱশ হৈ যোৱা যেন লাগিছে! কি কৰোঁ? ভাবিবৰ আৰু সময়ো নাই। অনা-গুণাকৈ থাকোঁতে, উদ্দেশ্য সিদ্ধি নহবগৈ যেন দেখিছোঁ। যি আছে কপালত, যাওঁ, এটা মৰিশালি-ভেঁটিৰ ওপৰত খুঁটিটো মাৰি থৈ পলাওঁ। কোনোমতে তাকে কৰি উলটিব পাৰিলেই ৰক্ষা। আৰু পলম কৰিবৰ সকাম নাই। খুঁটিটো পুতিবই লাগিব; নহলে কাইলৈ সিবিলাকৰ আগত কোন্ সতে মুখ দেখুৱাম। সৌটো কেঁচা ভেঁটি। তাৰ ওপৰত খুঁটিটো মাৰিবলৈকে অঙ্গীকাৰ কৰিছিলোঁ। যাওঁ, (থৰকৃবৰকৃকৈ গৈ মৰিশালি-ভেঁটিৰ ওপৰত থিয় হৈ, চকু-আঁখি মুদি, চাপৰোঁতে লেটৃথাই পৰা চুৰিয়াৰ থোৰৰ আগ জপতিয়াই পৰাত তাৰ ওপৰতে কণামুনাকৈ খুঁটিটো পুতি আঁতৰি আহিবলৈ ধৰোতে লাগি ধৰাত চিয়ঁৰ ধৰে)—ঐ! ধৰিলেঐ! মোক ভূতে ধৰিলেঐ! কোন্ ক'ত আছ, আহ ঐ! (এৰাবলৈ টনাটনি কৰি) ঐ নেৰে ঐ! নিয়ে ঐ! ৰাখহি ঐ! মোক জীয়াই জীয়াই গাঁতৰ ভিতৰলৈ নিয়ে এতিয়া ঐ! হেৰৌ, ভূত আছে ঐ! ভূত আছে বুলি এতিয়া হে জানিলোঁ ঐ! সঁচাকৈয়ে ভূত আছে ঐ! মৰিলোঁ, মৰিলোঁ, জীয়াতে মৰিলোঁ ঐ! হাঁয় বিধি, মোক কি হে আনিছিল ইয়ালৈ ঐ! কেনেকৈ এৰাওঁ এতিয়া ভূতৰ হাতৰপৰা ঐ! (চুৰিয়া এৰি এৰাই লৰ মাৰে)।

অঙ্কপাত।

# ৫। অঙ্ক।

## প্ৰথম পট।

( ধৰ্ম্মেশ্বৰৰ ঘৰৰ কাষৰ উলুবনি চাপৰি )।

ভূতনাথ, মুক্তিনাথ, সোণেশ্বৰ আৰু ফজলুৰ।

ভূতনাথ।—আমি এইখিনিতে ৰওঁ। মিঃ ফুকন যাওক, মিঃ ৰাজখোৱাক উলিয়াই আনকগৈ।

মুক্তি।—বাৰু। ( প্ৰস্থান )

ফজল।—কিয়, আটাইবিলাক যাওঁচোন! তেওঁৰ ঘৰত বহিবলৈ মূঢ়া-চকীৰ নাটনি নপৰে।

ভূত।—নহয়, তুমি বুজা নাই। অটাইবিলাকক দেখিলে ৰাজখোৱাৰ আইতাকে ভিতৰত কেপ্‌কেপাই উঠিব; ঘাইকৈ মোক দেখিলে।

সোণেশ্বৰ।—কিয়?

ভূত।—মই হেনো তেওঁৰ লৰাটো দেউ-ভূত নমনা কৰি খ্ৰীষ্টান কৰিব খুজিছোঁ!

( ধৰ্ম্মেশ্বৰে সৈতে মুক্তিনাথৰ পুনঃ প্ৰৱেশ )

ফজল।—কি ভাই, কি খবৰ?

ধৰ্ম্ম।—খবৰ ভালেই।

সোণ।—পিচে, মৰিশালিত খুঁটি পোতা হল জানো?

ধৰ্ম্ম।—( গহীনাই ) ওঁ-ওঁ-ওঁ। দেখিলেই লেখিবা নহয়।

ভূত।—বেচ কথা। বৰ সন্তোষ লগা কথা। Thanks ( ধৰ্ম্মেশ্বৰৰ হাতত ধৰি শলাগৰ হাত জোকাৰণি দিয়ে )।

সোণ।—বেচ, মৰো ধন্যবাদ দিছোঁ। ( ধৰ্ম্মক হাত-জোকাৰণি দিয়ে )।

মুক্তি।—ইয়াত আৰু পলম কৰাৰ সকাম নাই। যাওঁ, বলাইক, আচল ঠাইত উপস্থিত হৈ আলাপ-আলোচনা কৰোঁগৈ।

ভূত।—এৰা, যাওঁতে যাওঁতেও আমি কথা-বাৰ্ত্তা পাতি যাব পাৰিমইক; যাওঁতে আমাৰ ভৰিয়ে হে কাম কৰিব, মুখৰ আজৰি থাকিব নহয়। কি বোলাইক?

ফজল।—কি বুলিম, হয় বুলিছোঁ। বাঃ! মিষ্টাৰ বৰুৱাৰ কথাৰপৰা ৰস বৈয়েই থাকে; যেনিবা মৌ-চাক্ হে!

মুক্তি।—মৰিশালিলৈকে পোনাই যোৱা হওক, দুপৰীয়া খোৱাৰ পৰত উলটি ঘৰ পাবগৈ লাগে। বলাইক। ( সকলোটিৰ প্ৰস্থান )

## দ্বিতীয় পট।

( মৰনৈপাৰ,—মৰিশালি )

( ভূতনাথ, মুক্তিনাথ, ধৰ্ম্মেশ্বৰ, ফজলুৰ আৰু সোণেশ্বৰৰ প্ৰৱেশ )

ফজল।—ক'তা ভাই, কেনি? ইঁচাকৈয়ে মাৰিলা নে খুঁটিটো? কোন্‌টো? চাওঁ, কবৰৰ ওপৰতে মাৰিলা নে?

ধৰ্ম্ম।—( নিৰ্জ্জু ভাৱে ) সৌটো নহয়, য'তে মাৰিছিলোঁ ত'তে আছে। চাই থাকাগৈইক।

সোণ।—সৌটো হয়। আহাঁচোঁ, আহাঁচোইক চাওঁগৈ, আমি চিন্ লগাই দিয়াটো খুঁটিয়েই হয় নে নহয়। চিন্ লগাটো নহলে প্ৰাহ্য নহক কিন্তু; কাৰ খুঁটি, কোনে পুতিলে, কি ঠিক্?

( আটাই কেইওজন খুঁটিৰ ওচৰলৈ চাপি গৈ খুঁটিটো বেৰি ধৰি চায় )

মুক্তি।—অঃ, হয়। সেইটোৱেই। আমি চিন্ লগাই দিয়া খুঁটিটোৱেই। সৌটো নহয়, চিন্ ওলাই আছে।

ভূত।—নহব নো কিয় ? সেইটো খুঁটিকে, মিঃ ৰাজখোৱাই সুপুতিলে নো আন ক'ৰ খুঁটি কোনে পুতিবহি ?

ফজল।—হয়তো। তেওঁ নো ইমানটো কথাতে বেইমানি কৰিব নে ? কথাত ৰব নোৱাৰিলে চৰম হব বুলি তেওঁ জানো নেজানে ? ( খুঁটিৰ তললৈ তং কৰি চাই ) হেৰাহঁক, হৌথন কাৰ কি আকৌ, মন কৰিছাহঁক নে ? এখন পাটৰ চুৰিয়াৰ খোৰতে দেখোন গোঁজটো !

সোণ।—ই, এ ! হয়ো কি নহয়। সেইখনচোন মিষ্টাৰ ৰাজখোৱাৰ চুৰিয়া যেন দেখি।

ফজল।—( জুমি-জুমি চাই ) নহয় নো কি ! হঁচা, হিদিনা তেওঁ মিটিঙলৈ পিন্ধি অহা চুৰিয়াখনেই।

মুক্তি।—হয় নে ? চাওঁচোন ( হাতলৈ একাঁচল তুলি লৈ চাবলৈ ধৰে )।

ভূত।—অতি আচৰিত কথা !

ধৰ্ম্ম।—আচৰিত হব লগীয়া কথা একো নহয়। সেইখন মোৰে চুৰিয়া হঁচা। ( লাজত তলমূৰ কৰি ৰয় )

ভূত।—কি ! আচল কথাটো কি ? ভাঙি কোৱাচোন। মিঃ ৰাজখোৱাই দেখোন মনটি আমোলাই পেলাইছা ?

ধৰ্ম্ম।—আচল কথা কবলৈকে লাজ লাগে, মিঃ বৰুৱা ! কালি কথাত বান্ধ খাই আহিলোঁ হয় খুঁটি পুতিবলৈ, আৰু পুতিলোঁও খুঁটি ; কিন্তু গা-মনৰ অস্থিৰতাত নিজৰ চুৰিয়াৰ খোৰটো জপতিয়াই মাটিত লেটুখাই থাকোতে তৰ্কিব নোৱাৰি তাৰ ওপৰতে খুঁটিটো পুতিলোঁ ! পুতি লৈ মহা বিপদত পৰিছিলোঁ !

মুক্তি।—কিয় ? কিয়নো গা-মনৰ অস্থিৰতা ঘটিছিল ?

ধৰ্ম্ম।—কিয়, কিনো কম এতিয়া! কবলৈকে লাজ লাগে। মই মাজে-সময়ে কথা-প্ৰসঙ্গত কৈয়ে আহিছোঁ নহয়, বোলোঁ, মনে মানিলেও প্ৰাণে নামানে। নাভাবোঁ বুলিলেও, ভূত-বিশ্বাসৰ ভাব আপুনি আহে ; কিনো কৰিম এতিয়া!

ভূত।—পিচে ? তাৰ পিচে ?

ধৰ্ম্ম।—পিচে আৰু যি হব লাগে হল! মৰিশালিত থিয় দিয়া মাত্ৰকে,—কি জানো কিয়,—মোৰ বুকুখন ধপ্‌ধপাবলৈ ধৰিলে ; চকুৰ আগেদি ফিৰিঙতি উফৰিবলৈ ধৰিলে। গা-মন অস্থিৰ হৈ পৰিল। প্ৰতিজ্ঞা ৰাখিবৰ উদ্দেশ্যে থৰক্‌বৰক্‌কৈ মৰিশালিটোৰ ওপৰত উঠি খুঁটিটো পুতিলোঁগৈ ; কিন্তু মোৰ চুৰিয়াৰ থোৰটো যে খুঁটিৰ তলত পৰি আছিল, মনৰ অস্থিৰতা হেতুকে তালৈ মই তং কৰিবলৈকে নহল। খুঁটি পুতি আঁতৰি আহিবলৈ ধৰোঁ যে, মোৰ চুৰিয়াত ধৰি কিহবাই মোক গাঁতৰ ভিতৰলৈ টানি নিব খোজে! মোৰ চুলিৰ আগে দি ধাতু যোৱা যেন লাগিল। মোৰ গাত তত্ নোহোৱা হল। সেই মুহূৰ্ত্ততে অন্তৰৰ ভূত-বিশ্বাস ডাঠ্ হৈ উঠিল। মই অস্থিৰ হৈ, "ভূতঐ! ভূতে ধৰিলেঐ" বুলি চিঞঁৰ-বাখৰ লগাবলৈ ধৰিলোঁ। চিঞঁৰি চিঞঁৰি কাকো [illegible]ত নাপালোঁ! পিচে, ভূতৰ হাতৰপৰা আৰু মোৰ নিস্তাৰ নাই যেন ভাবি, অগত্যা চুৰিয়া-ফুটিয়া এৰি, মই ঘৰলৈ পলাই লৰ ধৰিলোঁ!

মঙ্গল।—(সোণেশ্বৰৰ গাত হাত দি) ভিয়েৰ, গমি চোৱাচোন, মনত পৰিছে নে, সেই দিনা মৰমৈৰ কিনাৰত আমাৰ দশাও এনে নহৈছিল নে ? যিটোৰ বাজখোৱাৰেই যদি এনেটো ভ্ৰম ঘটিল, আমাক নো তেন্তে তেওঁ ছুৱিব কি বুলি ?

সোণ।—(চকুৰ টিপ্ মাৰি) বাজে কথা মুলিয়াবাচোন। মনে মনে থাকাঁ তুমি।

মুক্তি।—সেইটো দোষ ধৰিব লগীয়া কথা নহয়, শোধন কৰিব লগীয়া বিষয় হে। সৰল বিশ্বাসৰ ওপৰত কাম কৰি ঘাটি খালেও তাত মূল্য থাকে, আৰু কৰ্ত্তা জন শলাগৰ পাত্ৰ হয়। মিষ্টাৰ ৰাজখোৱাৰ সম্পৰ্কেও সেয়ে কথা।

ভূত।—দেখিলা বন্ধুসকল! ভূত-বিশ্বাসৰ কু-ফল আমাৰ নিজৰ গাতে কেনেকৈ ফলিয়াইছে। ই আমাৰ বৰ্ত্তমান উচ্চশিক্ষাৰ ভ্ৰান্তি-দোষ দেখুৱা নাই, দেখুৱাইছে আমাৰ শিশুশিক্ষাৰ ভ্ৰম-দোষ। সৰুতে আমি নিজৰ পিতৃ-মাতৃ আৰু সমাজৰ বুঢ়া-মেথাৰপৰা ভূতৰ যি বিবৰণ পাই আহিছিলোঁ, তাৰেই বিবৃতি আমাৰ স্বভাৱত এনে ভাৱে মিলি গৈছে যে, আজি সি আন্তৰিক-বৃত্তিৰ দৰে আমাৰ ওপৰত প্ৰভুত্ব চলাইছে। ইয়াতকৈ বেচি সাংঘাতিক সামাজিক দোষ আৰু কি হব পাৰে! কিন্তু, ধুৰুপ বুজিবাইঁক "Good cometh out of evil" অৰ্থাৎ, আপদে সম্পদ মিলায়। আমাৰ মিষ্টাৰ ৰাজখোৱা এজনৰ পটন্তৰেৰে আমি এশ জনৰ মনৰ ভ্ৰান্তি গুচাবলৈ চল পামইঁক। বিশেষতঃ, আমাৰ সংস্কাৰ-সমিতিৰ উদ্দেশ্যও সেয়েই। সেই ভ্ৰান্তি গুচাবলৈ আজিৰপৰা আমাৰ সংকল্প দৃঢ়তৰ হল। ৰাজখোৱাদেৱৰ জ্বলন্ত পটন্তৰে ৰাইজক পোহৰাই দেখুৱাব যে, ভূত বুলি একো এটা নাই, সি ভ্ৰম হে। সেই ভ্ৰমে কাছুটি হেৰুৱায়!

মুক্তি।—নিশ্চয় ভ্ৰম; ভূত নহয়, ভ্ৰম মাথোন। মই তাৰ জ্বলন্ত পটন্তৰৰে সৈতে আজি ৰৰচহকী হলোঁ। এই পটন্তৰ ঘৰে ঘৰে বিলাই ফুৰিম।

ধৰ্ম্ম।—মোৰ অন্তৰৰপৰাও ভূত-বিশ্বাসৰ ভ্ৰম বা কু-প্ৰবৃত্তি আজিৰপৰা সম্পূৰ্ণে আঁতৰ হল। যাতে সেই ভ্ৰম-প্ৰমাদত আৰু নপৰোঁ, তাৰ নিমিত্তে আজিৰপৰা মন ডাঠি ফুৰিম।

সোণ।—মোৰ অন্তৰৰ ভাবো সেয়ে। ভূত বুলি যে একো এটা নাই, সি যে কেৱল ভ্ৰম হে, তাত আৰু আজিৰপৰা মোৰ সন্দেহ নাইকিয়া হ'ল। মিষ্টাৰ ৰাজখোৱাৰ পটন্তৰ দি, আন-আনৰ অন্তৰৰপৰাও ভূত-ভ্ৰম গুচাবলৈ পাৰ্য্যমানে যত্ন কৰিম।

ফজল।—ইঁচাকৈ কৈছোঁ, মোৰ মনৰপৰাও আজি ভূত-বিশ্বাসৰ ডাৱৰ গোটেই বখলা বৰষি অন্ত পৰিল। মই এতিয়া বতৰ মুকলি পাইছোঁ। আজিৰপৰা আৰু ভূত-বিশ্বাসৰ সন্দেহে মোক টলাব নোৱাৰে। ইঁচাকৈয়ে, মই আজি হে খাতাংকৈ বুজিলোঁ, ভূত নহয় ভ্ৰম হে।

( হঠাৎ এটা বেজ আৰু এটা কানীয়াৰ প্ৰৱেশ )

বেজ।—ডেকাদেউসকল! তোমোলাকৰ কথন-মথন আঁৰে-আঁৰে সকলো শুনিলোঁ। তেন্তে, আমাৰ জীবিকাৰ উপায় নো চিন্তিলাইঁক কি? ভূত খেদিবলৈ বেজ নেলাগিলেচোন আমি নিগমে মৰিলোঁ!

কানীয়া।—এৰা, ভূত নামানিলে আমি নো তৰিম কেনেকৈ পিচে? ভূত-পূজাৰ লাচতে কানীয়া-ভকতক মুপূজিলে, আমাৰ টিকিৰা পোৰাৰো আধ্যা পৰিব দেখোন?

ভূতনাথ।—আধ্যা পৰিবই লাগিব। সদ্যহতে, তোমালোক কানীয়া আৰু বেজবিলাকে নিজৰ কু-অভ্যাস এৰি, ৰাইজক সু-অভ্যাস দেখুৱাবলৈ ধৰাইঁক। তাৰ পাচত, আমাৰ লগতে অজলা ৰাইজক এই বুজনি দি ফুৰিবাইঁক যে, সংসাৰত ভূত বুলি একো এটা নাই;—ভূত নহয় ভ্ৰম হে।

কানীয়া।—কি নো বলিয়াৰ দৰে বকিছা, বপা! কানীয়াই নো কানি এৰিব পাৰে নে? ভূতৰ কথা এৰিছোঁ বাৰু, কানি এৰিম কেনেকৈ? কানি নেখালে খিতাতে নমৰিম নে?

মুক্তি।— নমৰঁা। ভূতৰ ভ্ৰম এৰিব পাৰিলে কানিও এৰিব পাৰিবাহঁক; সকলো অভ্যাসৰ তল। ভূত নপতিয়াবলৈ শিকোৱাৰ লগতে কানি এৰিবলৈকে শিকাম।

বেজ।— বুজিলোঁ। বাৰু, কানীয়া-ভকতৰ হৈ যি হয় কৰিবাহঁক, কিন্তু আমাৰ দশা কি হব?

ধৰ্ম্ম।— তোমালোকৰো সু-দশা মিলিব। তাৰো এটা সজ উপায় কৰা যাব। বেজে কেনেকৈ ব্যাধি চাব লাগে, তাৰো সু-দিহা দিয়া হব।

সোণ।— এটা এটাকৈ হে। পোনেই ভূত-ভ্ৰম গুচোৱা, তাৰ পাচত কানি এৰুৱা, তাৰো পাচত বেজ-বিধি শিকোৱা। ইত্যাদি।

ফজল।—হঁচা। একেলগে একে হমমতে কেবাটাও কামত ধৰিলে এটাও ছুকলমে হিদ্ধি নহব।

মুক্তি।— আঙ্কাদ চাহাবে ভাল কৈছা, এবাৰত এটাকৈ হে ধৰা উচিত। তেহে নিয়াৰিকৈ কাৰ্য্য সমাধা কৰিব পৰা যাব।

ভূত।— সেয়ে হব। ইয়াৰ পাচত আমি এটা কাৰ্য্যক্ৰম্ বান্ধি লমহঁক। সেইমতে কাম কৰি গৈ থকা হব। আজিৰপৰা এই কানীয়া-ভকত আৰু বেজ জনো আমাৰ লগৰীয়া হল। ইবিলাকৰ জীৱিকাৰ অৰ্থেও অনতিপলমে এটা সু-ব্যৱস্থা কৰা যাব। সদ্যহতে, ভূত-ভ্ৰম নিবাৰণ কৰাটোকেই আমাৰ সমিতিৰ মহাব্ৰত মানি শিৰত ললোঁহঁক।—প্ৰতিজ্ঞা পালন, নাইবা শৰীৰ পতন। জয়, সংস্কাৰ-সমিতিৰ জয়!

সকলোৱে।—( সমস্বৰে ) জয়, সংস্কাৰ-সমিতিৰ জয়!

যবনিকাপাত।